প্রস্থান

ফেশ্যান

ৰামচৰণ দাস

পাতনি

মোৰ 'ফেশ্যন' নামে প্ৰবন্ধ এটা মাহেকীয়া আলোচনী "সমাজ" দ্বিতীয় বছৰ ৭ম সংখ্যাত প্ৰকাশিত হৈছিল। এই প্ৰবন্ধটো সংক্ষিপ্ত ভাবে লিখা হৈছিল। মোৰ কিছুমান বন্ধুৱে এই প্ৰৱন্ধ পঢ়ি আমোদ পাইছিল আৰু ইয়াক কিতাপ আকাৰে প্ৰকাশ কৰিবলৈ পৰামৰ্শ আগ বঢ়াইছিল। গতিকে "ফেশ্যন" কিতাপ আকাৰত প্ৰকাশ কৰা হ'ল। ই ৰাইজৰ মনত কেনে ধৰণৰ সাঁচ বহুৱায় নাজানোঁ; তথাপি আশা ৰাখিলোঁ, ৰাইজে এই কিতাপ পঢ়ি আমনি নাপাব। ইয়াত সমাজ মনোবিজ্ঞান-সন্মত বিশ্লেষণৰ চেষ্টা কৰা হৈছে।

—লিখক

প্ৰথম সংস্কৰণ
চেপ্তেম্বৰ '৬১

ছপাশাল
লক্ষ্মী প্ৰিন্টিং প্ৰেছ, গুৱাহাটী

প্ৰকাশক
স্বপ্ন প্ৰকাশ

মুদ্ৰাকৰ
শ্ৰীনবীন মালাকৰ

বেচ ১'৩০

চানুৰ হাতত দিলোঁ।

সূচী

১ম অধ্যায় ঃ
ফেশ্যনৰ প্ৰকৃতি
ষ্টাইল
ফেদ
ক্ৰেজ
ফেশ্যন, ৰীতি-নীতি আৰু সমাজ সংগঠন
ফেশ্যন, সামাজিক মানদণ্ড আৰু শ্ৰেণী বৈষম্য
কালচক্ৰ আৰু ফেশ্যন

২য় অধ্যায় ঃ
ফেশ্যন মনোবিজ্ঞান
ব্যক্তি-স্বাতন্ত্ৰ্যবাদ, সাদৃশ্য মনোভাব আৰু ফেশ্যন
ফেশ্যন, পৰিবৰ্ত্তনৰ তৃষ্ণা আৰু অহংবিস্তৃতি
আদৰ্শ আৰু ফেশ্যন
ক্ষতিপূৰণ আৰু ফেশ্যন
ফেশ্যন আৰু যৌন আকৰ্ষণ

৩য় অধ্যায়ঃ

ফেশ্যান আৰু যৌথ আচৰণ

ডা-ডাঙৰীয়াৰ প্ৰভাব

বেহা-বেপাৰ আৰু ফেশ্যান

ফেশ্যান আৰু নৈতিকতা

ফেশ্যান আৰু শিষ্টতা

আভিজাত্য আৰু ফেশ্যান

জাতীয়-ঐতিহ্য আৰু ফেশ্যান

গাওঁ, নগৰ আৰু ফেশ্যান

ফেশ্যানে কাক আকৰ্ষণ কৰে ?

ফেশ্যান সংক্ৰামক

ফেশ্যান-কেন্দ্ৰ আৰু তাৰ বিস্তাৰ

ফেশ্যানে উজুপথ বিচাৰে

কাৰ্য্যক্ষেত্ৰ আৰু ফেশ্যান

স্বাস্থ্য আৰু ফেশ্যান

জলবায়ু আৰু ফেশ্যান

যুগে যুগে ফেশ্যানৰ পৰিবৰ্ত্তন

প্ৰথম অধ্যায়

ফেশ্যনৰ প্ৰকৃতি

ফেশ্যন এটা দলীয়, সামূহিক বা সমষ্টিগত আচৰণ। ইয়াৰ জনতা আচৰণৰ লগত বহুতো মিল আছে। সময় বিশেষে ফেশ্যনক সমাজৰ এটা অক্ৰম গতিও বুলিব পাৰি।

সমাজৰ ৰীতি-নীতি জন-আচৰণৰ এটা দৃঢ়বদ্ধ আৰু স্থায়ী ধাপ কিন্তু ফেশ্যন এটা সমাজ অনুমোদিত পৰিবৰ্ত্তন-শীল দস্তুৰ। যেতিয়াই কোনো এটা সংস্কৃতিৰ প্ৰচলিত বস্তুৰ প্ৰকাৰ বা প্ৰণালীৰ পৰিবৰ্ত্তন মূৰ্ত্ত হৈ উঠে, তেতিয়াই ফেশ্যনৰ সত্তা অনুভৱ কৰিব পৰা যায়। সকলো মানুহেই ফেশ্যনৰ প্ৰতি কম বেছি পৰিমাণে অনুৰক্ত। অৱকাশৰ

অন্তৰালত মানুহৰ মনত ফেশ্যনৰ *প্ৰতিৰূপ মূৰ্ত্ত হৈ উঠে। ফেশ্যন সাধাৰণতে আদৰ্শবাদৰ ওপৰত নিৰ্ভৰ নকৰে। ইয়াৰ কঙ্কাল তৈয়াৰ হয় বাস্তৱতাৰ উপাদানেৰে। ৰজো গুণৰ বশৱৰ্ত্তী হৈ ফেশ্যনে সমাজক উৎবাউল কৰি থাকে। ই বিকৃত মনৰ প্ৰতিস্বৰূপ আৰু আশা আকাঙ্ক্ষাৰ প্ৰতিক্ষেপ। সমাজৰ উলঙ্গ চেতনাৰ ই যেন নিঝৰা, যাৰ প্ৰবাহত সঞ্চাৰিত হয়—উন্মাদনাৰ স্ফীতি, আত্ম-প্ৰসাদৰ ৰেঙনি আৰু চ্যুতি বিচ্যুতিৰ ইন্দ্ৰধনু।

কিম্বল ইয়ংৰ (Kimball Young) মতে ফেশ্যন এটা সমাজৰ সম্প্ৰতি ব্যৱহৃত বা প্ৰচলিত ৰীতি, প্ৰকাৰ বা প্ৰণালী বা অভিব্যক্তি; ই প্ৰদৰ্শনীৰ বৈশিষ্ট্য বা কিছুমান সাংস্কৃতিক লক্ষণৰ ধাৰণা—যিবিলাক সমাজে প্ৰত্যক্ষ বা পৰোক্ষভাবে অনুমোদন কৰি আহিছে।

ফেশ্যন সমাজ ৰীতিৰেই এটা ছদ্মবেশী ৰূপ। বেছিভাগ মানুহেই সজ্ঞাতে বা অজ্ঞাতে প্ৰচলিত সমাজৰীতিক আখৰে আখৰে পালন কৰিবলৈ দ্বিধা বোধ কৰে আৰু ইয়াৰ কবলৰ পৰা মুক্ত হবলৈ তেওঁলোকৰ মনত সদায় এটা প্ৰবল অভিলাষৰ প্ৰবাহ বৈ থাকে। প্ৰকৃত পক্ষে তেওঁলোক সমাজৰ বিৰুদ্ধাচাৰী নহয় কিন্তু তেওঁলোকে সমাজৰীতিক ক্ষুন্ন নকৰাকৈ যি কোনো উপায়ৰ আশ্ৰয় লব খোজে, যাতে, ৰুচি অনুযায়ী সংসাৰত জীৱন অতি বাহিত কৰিব পাৰে।

* Kimball Young-Social Psychology pp 411.

ফেশ্যন সমাজনীতিৰ অংশ নহয়, কিন্তু বিৰুদ্ধও নহয়। সমাজনীতি বহু পৰিমাণে স্থায়ী, কিন্তু ফেশ্যন অস্থায়ী, কৃত্রিম আৰু পৰিবৰ্ত্তনশীল। ফেশ্যনৰ আটাইতকৈ বেছি প্ৰভাব পৰিছে—পোছাকপৰিচ্ছদ, অলঙ্কাৰ-পাতি, যান-বাহন, ঘৰ, মনোহাৰী আৰু ৰং-ধেমালিৰ বস্তুৰ ওপৰত। ফেশ্যন যে কেৱল বস্তুবাদী জগতৰ লগতে জড়িত এনে নহয়, ই খুহুতীয়া কথা, ৰেডিও, আলোচনী, বাতৰি কাকত, সাহিত্য, গান, নাচ, চিনেমা আদিৰ ওপৰতো প্ৰভাব বিস্তাৰ কৰিছে।

ফেশ্যনৰ এটা ঐতিহাসিক দিশ আছে। ফেশ্যনে দেশে দেশে, যুগে যুগে, সময়ে সময়ে বিভিন্ন সমাজত বেলেগ বেলেগ ৰূপ ধাৰণ কৰে। গতিকে বিভিন্ন পৰিবেশত ফেশ্যনৰ মূল্যাঙ্কনো বেলেগ বেলেগ হয়। এতিয়াৰ দৰে অতীজতো ফেশ্যনৰ সত্তা পৰিলক্ষিত হৈছিল। কিন্তু আজিকালিৰ নিচিনা আগৰ কালত ফেশ্যন ইমান গতিশীল নাছিল। আগৰ দিনত ব্যক্তিগত সংস্পৰ্শত ফেশ্যনৰ পৰি-বৰ্ত্তন ঘটিছিল আৰু এই পৰিবৰ্ত্তন সহজে নহৈছিল। তেতিয়া চিনেমা, টেলিভিশ্যন, উন্নত যান-বাহন, ছপা কাৰ-খানা নাছিল ; সেইকাৰণে পৰিবৰ্ত্তনো লাহে ধীৰে হৈছিল।

বৰ্ত্তমান ফেশ্যন ক্ষিপ্ৰ গতিত চলে, পৰিবৰ্ত্তনো শীঘ্ৰে হয়। উন্নত যান-বাহন, চিনেমা, টেলিভিশ্যন আৰু আন আন বৈজ্ঞানিক আবিস্কাৰৰ বাবে মানুহে আজিকালি নানা দেশৰ ৰীতি-নীতি, চাল-চলন, আচাৰ-ব্যৱহাৰ আদিৰ লগত

সহজে পৰিচিত হ'ব পাৰিছে। বৈজ্ঞানিক প্ৰগতিৰ লগে লগে আধুনিক বিশ্বসমাজৰ পৰিসৰ যেন তেনেই সৰু হৈ আহিল। সেইকাৰণে আন্তৰ্ৰাষ্ট্ৰীয় সাংস্কৃতিক বিনিময় হ'বলৈ ধৰিলে। ইয়াৰ সুযোগ লৈয়ে ফেশ্যনৰ ব্যাপকতা বহুগুণে চৰিল আৰু নানা ধৰণৰ ফেশ্যনৰ সূচনা হ'বলৈ ধৰিলে। চিনেমা জগতৰ নায়ক-নায়িকা সকলৰ প্ৰভাবত ফেশ্যনৰ প্ৰচলন ক্ষিপ্ৰ গতিত চলিবলৈ ধৰিলে। সেইদৰে আন্তৰ্ৰাষ্ট্ৰীয় খেলুৱৈ, সাংস্কৃতিক দলসমূহে জনতাৰ ওপৰত বিশেষ প্ৰভাব বিস্তাৰ কৰিবলৈ ধৰিলে। তেওঁলোকৰ বিশেষ অঙ্গী-ভঙ্গী, সাজ-সজ্জা আৰু আচাৰ-ব্যৱহাৰ জনতাক, বিশেষকৈ ডেকা গাভৰুক সহজতে মুগ্ধ কৰে আৰু অজ্ঞাতে জনসাধাৰণে তেওঁলোকক অনুসৰণ কৰি নিজৰ নিজৰ চাল-চলন, ভাব-ভঙ্গী আৰু সাজ-সজ্জাৰ নিয়ন্ত্ৰণ কৰিবলৈ ধৰে। সেইদৰে ৰাজনৈতিক, শিক্ষাবিদ আৰু আন বিশেষ বিশেষ ক্ষেত্ৰত দক্ষতা লাভকৰা নেতৃবৃন্দকো অনুসৰণ কৰা দেখা যায়। জনতাৰ এই অব্যবহিত প্ৰতিক্ৰিয়া আৰু সক্ৰিয় সঁহাৰিৰ পৰা ফেশ্যনৰ প্ৰচলন দ্ৰুত গতিৰে হয়।

ইউৰোপত হোৱা নবজাগৰণৰ প্ৰভাবত ফেশ্যনৰ পৰিবৰ্ত্তন ক্ষিপ্ৰতৰ হৈছে।

ফেশ্যনৰ বিষয় আলোচনা কৰোঁতে সদায় এটা কাল অনুক্ৰমৰ কথা বিবেচনা কৰিব লগা হয়। সময়ে সময়ে ফেশ্যনৰ আকাৰৰ পৰিবৰ্ত্তন হৈ থাকে। কোনো কোনো ফেশ্যন সময়ৰ সোঁতত উটি গৈ নিজৰ অস্তিত্বকে হেৰুৱাই

পেলায় আৰু হয়তো কেইবছৰমান পিছত ইয়াৰ পুনৰুত্থান হয়। তাৰোপৰি সময়ে সময়ে নতুন নতুন ফেশ্যনৰ উদ্ভব হয়।

ষ্টাইল (Style)—ষ্টাইল বা পদ্ধতি আৰু ফেশ্যন একে নহয়। কেতিয়াবা কেতিয়াবা ষ্টাইল ফেশ্যন বুলি ভুলকৈ অভিহিত হয়। ষ্টাইল কোনো এটা ব্যক্তিগত গুণ, কৰ্ম্মপদ্ধতি বা প্ৰকাশ ভঙ্গী। সাহিত্যিক সকলৰ প্ৰত্যেকৰেই প্ৰকাশ ভঙ্গী বেলেগ বেলেগ; ৰঙ্গমঞ্চৰ এজন অভিনেতাৰ অভিনয়ৰ ভাব-ভঙ্গী আন এজনৰ লগত নিমিলে। বক্তা সকলৰ প্ৰত্যেকৰে বক্তৃতাৰ ধৰণৰ বিভিন্নতা দেখিবলৈ পোৱা যায়। গতিকে এই ব্যক্তিগত পদ্ধতি সমূহীয়া পদ্ধতিৰ লগত ৰিজাব নোৱাৰি। ফেশ্যন এটা সামূহিক আচৰণ। কেতিয়াবা কেতিয়াবা ব্যক্তিগত পদ্ধতিও ফেশ্যনত পৰিণত হোৱা দেখা যায়। ৰবীন্দ্ৰ ঠাকুৰৰ পৰিয়ালৰ মহিলাসকলে কোঁচ দি শাৰী পিন্ধা পদ্ধতি কিছুদিনৰ পিচত দেশৰ চাৰিও পিনে বিয়পি পৰিল আৰু শেষত এই পদ্ধতি ফেশ্যনত পৰিণত হল।

ফেদ (Fad):—ফেদ ফেশ্যনৰ এটা কৃত্ৰিম ফাল। ইয়াৰ বুনিয়াদ তৈয়াৰ হয় বাহ্যিক আড়ম্বৰৰ ওপৰত। ফেদ সাধাৰণতে সাজপাৰ আৰু অলঙ্কাৰ পাতিৰ সূক্ষ্ম বিষয়তে সীমাবদ্ধ হৈ থাকে। কেতিয়াবা কেতিয়াবা ফেদে অশোভনীয় পৰিণতিৰ সৃষ্টি কৰে আৰু সেইকাৰণেই ইয়াক বদ্ অভিৰুচি বুলি আখ্যা দিয়া হয় আৰু ই সমাজৰ

সমাদৰ বা অনুমোদন নেপায়। বিখ্যাত সমাজ বৈজ্ঞানিক ই, এস, বোগাৰদাসে (E. S. Bogardus) কয় যে ফেদ প্ৰায় এবছৰ মানহে সক্ৰিয় হৈ থাকে ; তাৰ পিচত ইয়াৰ অবৰোহন হয়। আচলতে ফেদ ফেশ্যনৰেই আন এটা ৰূপ, কেৱল পাৰ্থক্য এই যে ফেদ কম সংখ্যক লোকৰ মাজত প্ৰচলিত হয় ; কিন্তু ফেশ্যনৰ প্ৰচলন ব্যাপক। ফেশ্যনৰ নিচিনা ফেদৰ ঐতিহাসিক অনুক্ৰম নাই। যেনেকৈ ফেশ্যনৰ দুৰ্ব্বলতাৰ কাৰণে ফেদৰ প্ৰভাব বাঢ়ে, সেইদৰে সমাজৰীতিৰ দুৰ্ব্বলতাৰ কাৰণে ফেশ্যনৰ মাহাত্ম্য বাঢ়ে।

মৌখিক ফেদও (Verbal Fad) মাজে মাজে জন-প্ৰিয় হোৱা দেখা যায় ; ইয়াৰ প্ৰচলন ডেকা গাভৰুৰ মাজত বেচিকৈ চলে।

ইয়াৰ উপৰিও জিৰণি আৰু আনন্দ উপভোগ বা ভোগ বিলাসৰ কাৰ্য্যসূচীতো ফেদৰ প্ৰভাব আছে।

ক্ৰেজ (Craze) :—ক্ৰেজ বা ক্ষিপ্ততা ফেশ্যনৰ এটা অন্তিম পৰাকাষ্ঠা। ইয়াৰ প্ৰসাৰতা আৰু দৃঢ়বদ্ধতা ফেদতকৈ বেছি। ক্ষিপ্ততাই আকাৰৰো বিকৃতি আনে। ক্ৰেজ উত্তেজক, স্পষ্ট আৰু উদ্দীপক। ই বিকৃত মনৰ ব্যাপ্ত বা সুদূৰ-প্ৰসাৰী আকস্মিক প্ৰকাশ। ক্ৰেজ আচলতে এটা সংক্ৰামক মানসিক ৰোগ। চিগাৰেটৰ ধোঁৱাৰে বৃত্তাকাৰ কৰি আনৰ কালে নিক্ষেপ কৰা অভ্যাস ক্ৰেজৰ এটা নিদৰ্শন। সেইদৰে

দোভাগ নিশা ছাত্রাবাসৰ বাৰান্দাত পিতলৰ গ্লাস নিক্ষেপ বা ডাইনিং হলত খাবলৈ বহি পানী বিচাৰি গ্লাচেৰে মজিয়াত বা টেবুলত কৰা অসহনীয় শব্দৰ অৱতাৰণাও এটা ক্রেজৰে নিদর্শন। আমেৰিকাবাসীৰ দ্রুত গতিত মটৰগাড়ী চলোৱা কার্য্যও এটা ক্রেজ।

ফেশ্যন, ৰীতি-নীতি আৰু সমাজ সংগঠন : ফেশ্যন সমাজনীতিৰ অংশ নহয়। সমাজৰ ৰীতি-নীতিৰ পৰিবর্ত্তন মন্থৰ গতিত চলে আৰু ইয়াৰ পৰিবর্ত্তনো সহজে হয়। কিন্তু ফেশ্যন ক্ষনস্থায়ী আৰু ইয়াৰ পৰিবর্ত্তন সঘনে নহয়। সমাজৰ যি চিন্তাধাৰা আৰু কার্য্য-সম্পাদনৰ ওপৰত ফেশ্যন বর্ত্তি থাকে, সি খুব কৃত্রিম আৰু ক্ষণস্থায়ী। তথাপি সময়ে সময়ে সমাজে ফেশ্যনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। হার্বার্ট স্পেনসাৰৰ (Herbert Spencer) ভাষাত কবলৈ হলে ফেশ্যনৰ এটা শিষ্টাচাৰ সংক্রান্ত দিশ আছে। ফেশ্যনে আধুনিক সমাজ আচৰণৰ বহুদিশ স্পর্শ কৰে। ৰক্ষণশীল সমাজত ফেশ্যনৰ পৰিবর্ত্তন প্রায় দেখা নাযায়। প্রতিযোগিতা-মূলক ব্যৱহৃত বস্তুৰ ওপৰত ইয়াৰ প্রভাব বৰ বেছি। বিশেষকৈ কাপোৰ-কানি, অলঙ্কাৰ-পাতি, ঘৰবাৰী, গাড়ী, ৰং ধেমালিৰ সামগ্রী ইত্যাদি বস্তুসমূহে ফেশ্যনৰ ওচৰত সহজে আনুগত্য স্বীকাৰ কৰে। কিছুমান সমাজত পোছাক পৰিচ্ছদৰ ওপৰত বিশেষ ভাবে মনোনিবেশ কৰা দেখা যায়।

পিচপৰা সমাজত বিশেষকৈ য'ত আধুনিক সভ্যতাৰ পোহৰ পৰা নাই ফেশ্যনে সহজে পৰিবৰ্ত্তন আনিব পৰা বস্তুসমূহৰ ব্যৱহাৰৰ মান বহুপৰিমানে স্থায়ী বা স্থিতিশীল। কিছু-মান সমাজত পোছাকৰ সাধাৰণ পৰিবৰ্ত্তনতেই সমাজ ক্ষুব্ধ হয় আৰু পৰিবৰ্ত্তন কৰোতাজন ইতিকিঙৰ পাত্ৰ হৈ পৰে। আনকি কোনো কোনো সমাজে তেওঁৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱাও দেখা যায়।

ফেশ্যন, সামাজিক মানদণ্ড আৰু শ্ৰেণী বৈষম্য ঃ

ভাৰতবৰ্ষত জাতিভেদ প্ৰথাৰ কাৰণে সমাজৰ বিভিন্ন স্তৰত বিভিন্ন ভাষা, পোছাক আৰু আচৰণৰ প্ৰচলন দেখা যায়। গোঁসাই, ব্ৰাহ্মণ আৰু ভকতৰ পোছাকৰ লগত আন শ্ৰেণীৰ মানুহৰ পোছাকৰ মিল নাই। ইয়াত বিশেষকৈ গাওঁলীয়া অঞ্চলত পুৰণিৰ আদৰ বেছি, আৰু কোনো পৰিবৰ্ত্তন আনি-বলৈ হলে সদায় বিপ্লব কৰিব লগা হয়।

সেইদৰে গ্ৰীচতো উচ্চ শ্ৰেণীৰ পোছাকৰ লগত তলৰ শ্ৰেণীৰ পোছাকৰ মিল নাই। তাত উচ্চ শ্ৰেণীৰ মহিলা সকলে ব্যৱহাৰ কৰা পোছাকৰ লগত তল খাপৰ মহিলা সকলে ব্যৱহাৰ কৰা পোছাকৰ তুলনা নহয়।

মধ্যযুগৰ ইউৰোপত ৰাজকুমাৰী আৰু ৰাণী সকলৰ আচ্ছাদন ভৰিলৈকে ওলমি গৈছিল আৰু তেওঁলোকে মূৰত একো-একোটা মুকুট লৈ নিজৰ শোভা বৰ্দ্ধন কৰিছিল

আৰু গৌৰব অনুভব কৰিছিল। কিন্তু তাৰ সৰ্ব্বসাধাৰণ তিৰোতা সকলৰ আচ্ছাদন ককাললৈকেহে বিয়পি আছিল আৰু তেওঁলোকৰ মূৰত মুকুটো নাছিল। ১৭শ শতাব্দীত ট্ৰেনৰ (Train) * দীৰ্ঘতাই পিন্ধোতাৰ শ্ৰেণীমৰ্য্যদা বুজাইছিল। ৰাণীয়ে ১৭ গজ, ৰজাৰ জীয়েকে ১০ গজ, আন আন ৰাজকুমাৰীয়ে ৭ গজ আৰু ডিউক পত্নীয়ে ৪ গজ ট্ৰেন ব্যৱহাৰ কৰাৰ নিৰ্দ্দিষ্ট নিয়ম আছিল।

ইংলণ্ডত এতিয়াও সমাজৰ বিভিন্ন শ্ৰেণীৰ পোছাক পৰিচ্ছদ, কথা বতৰা আৰু ব্যৱহাৰত বিশেষ প্ৰভেদ দেখা যায়। যি সমাজত শ্ৰেণীবিভেদৰ কটকটীয়া বান্ধ আছে, তাত ৰক্ষণশীলতাৰ যথেষ্ট প্ৰাধান্য আছে। কিন্তু গণতান্ত্ৰিক সমাজত ফেশ্যনৰ পৰিবৰ্ত্তন গতিশীল। ইংলণ্ডতকৈ আমেৰিকাৰ শ্ৰেণী বিভেদৰ মাত্ৰা কম। ইংলণ্ডত সান্ধ্য ভোজনৰ বাবে বিশেষ পোছাকৰ ওপৰত গুৰুত্ব দিয়া হয়, কিন্তু আমেৰিকাত সমানে শিক্ষিত বা ধনী ব্যক্তিৰ ক্ষেত্ৰত সাজ-পোছাকৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেয়া নাযায়।

কালচক্ৰ আৰু ফেশ্যনঃ

কালচক্ৰৰ ক্ৰম গতিত ফেশ্যনৰ ৰূপ পৰিবৰ্ত্তন হৈ থাকে। আজিৰ ফেশ্যনৰ কাইলৈ সলনি হয়; আকৌ কিছুদিনৰ পিছত পূৰ্ব্বৰ ৰূপেই গ্ৰহণ কৰা হয়। গতিকে ফেশ্যন বৃত্তৰ

* পৰিচ্ছদৰ ভূ লুণ্ঠিত অংশ

নিয়মত চলে। কোনো এসময়ত আমি দীঘল কোট ব্যৱহাৰ কৰোঁ, কিছুদিন পিছত চুটি কোট ব্যৱহাৰ কৰিবলৈ ধৰোঁ আৰু কিছুদিন পিচত হয়তো আকৌ দীঘল কোট ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰোঁ। কেবছৰমান আগতে ক'লা ৰঙৰ জুতাৰ প্ৰচলন বৰকৈ হৈছিল। তাৰ পিছত চক্‌লেট ৰঙৰ জুতাৰ ব্যৱহাৰ হবলৈ ধৰিলে। এতিয়া আকৌ দুয়োবিধৰ প্ৰচলন হৈছে। সেইদৰে আগতে কিছুমানে বৰ দীঘল পাঞ্জাবী পিন্ধিছিল। কোনো কোনোৱে এই আচ্ছাদনক সমাজতন্ত্ৰবাদী—পাঞ্জাবী বুলিও আখ্যা দিছিল, কাৰণ সেই সময়ত সমাজতন্ত্ৰবাদী সকলৰ বহুতেই দীঘল পাঞ্জাবী ব্যৱহাৰ কৰিছিল। এতিয়া ইয়াৰ দীৰ্ঘত্ব ক্ৰমান্বয়ে কমি আহিছে। আগেয়ে প্ৰায় সকলো মানুহেই ঘড়ী বাওঁহাতত পিন্ধিছিল, এতিয়া বহুতেই সোঁহাতত পিন্ধিবলৈ ধৰিছে; কিছুদিন পিছত হয়তো আকৌ বাওঁহাততেই পিন্ধিবলৈ লব। এইদৰে কোনো কোনো মহিলাই দীঘল আৰু চুটি স্কাৰ্ট (Skirt) সময়ে সময়ে ব্যৱহাৰ কৰি থকা দেখা যায়। অসমীয়া মহিলাসকলৰ মেখেলা আৰু চাদৰৰ ফুলৰ ডিজাইনো সময়ে সময়ে পৰিবৰ্ত্তিত হৈ থাকে। কিছুবছৰৰ আগতে ভমকা ভমকা ফুলাম মেখেলাৰ প্ৰচলন হৈছিল, তাৰ পিছত ফুলৰ ব্যাপকতা কমি আহিল। এতিয়া আকৌ ফুলাম মেখেলাৰ প্ৰচলন হবলৈ ধৰিছে।

এগনিচ্‌ ব্ৰুকচ্‌ ইয়ংৰ (Agnes Brooks Young) মতে মহিলাসকলৰ পোছাকৰ ফেশ্যন মন্থৰ গতিত ধাৰাবাহিক-

ৰূপে পৰিবৰ্ত্তিত হৈ থাকে। কোনো বিজ্ঞাপনৰ নিৰ্দ্দেশ অনুযায়ী ফেশ্যনৰ বিশেষ পৰিবৰ্ত্তন নহয়। মনোবিজ্ঞান আৰু কৃষ্টিৰ লগতহে ফেশ্যনৰ পৰিবৰ্ত্তন বেছিকৈ সংশ্লিষ্ট।

আধুনিক সভ্যতাৰ প্ৰগতিৰ লগত খোজ মিলাবলৈ আজিৰ সমাজ কিছুমান কৃত্ৰিম আচৰণৰ অভ্যাসত ব্যতিব্যস্ত। আজিকালি ব্যক্তিগত বিভিন্ন পোছাক পৰিচ্ছদত ৰঙৰ একীকৰণ বা সাদৃশ্য ৰক্ষা কৰা এটা ফেশ্যন হৈ পৰিছে। কোনো কোনো মহিলাই ওঠত ৰঙা বা গোলাপী ৰং সানে। আগতে ভাৰতীয় মহিলাই ওঠত ৰং ব্যৱহাৰ নকৰিছিল। এতিয়া পশ্চিমৰ বা-বতাহত প্ৰভাৱান্বিত হৈ বহুত মহিলাই বিশেষকৈ নগৰৰ মহিলাই লিপষ্টিক্ ব্যৱহাৰ কৰিবলৈ লৈছে। ওঠৰ ৰঙৰ লগত উপযোগী কৰিবলৈ কোনো কোনো মহিলাক শাৰী, ব্লাউচ আৰু আন আন আনুষঙ্গিক একে ৰঙৰ বস্তু ব্যৱহাৰ কৰা দেখা যায়। লিপষ্টিকৰ মৰ্য্যদা ৰক্ষা কৰিবলৈ চাহমেলত কোনো কোনো মহিলাই চাহকে বাদ দিয়ে। চুলি আৰু ছালৰ বাবেও সৌন্দৰ্য্য সাধক কিছুমান প্ৰসাধন বস্তু ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায়। সেয়েহে স্নো ক্ৰীম, পাউদাৰ, সুগন্ধি তেল, পকাচুলি কেচা দেখুৱাবলৈ কৰা কলপ, খালি মূৰ ঢাকিবলৈ হুইগ (Whig) আদিৰ প্ৰচলন হৈছে। দাঁত সৰিলে কৃত্ৰিম দাঁত লগোৱাৰ ব্যৱস্থা চলিছে। এই কৃত্ৰিমতা এতিয়া চাৰিওফালে বিয়পি পৰিছে।

দ্বিতীয় অধ্যায়

ফেশ্যন মনোবিজ্ঞান

মানুহ স্বভাৱতে সদায় নতুন, বিভিন্ন, আৰু উদ্দীপক বস্তুৰ প্ৰতি কৌতুকী। এই কৌতুকী স্বভাৱ পৰিস্ফুট হয় বিশেষকৈ পোছাক পৰিচ্ছদ. সাজ-সজ্জা, বক্তৃতা আৰু ব্যৱহাৰ আদিত। ইয়াৰ মূল কাৰণ সমূহ চালি জাৰি উলিয়াবলৈ ফেশ্যন মনোবিজ্ঞানৰ আশ্ৰয় লব লগা হয়। আধুনিক সমাজ গতিশীল, নিতৌ নতুনৰ সন্ধানত ব্যতিব্যস্ত। সেয়েহে পৰিবৰ্ত্তনৰ চকা খৰকৈ ঘূৰে! আগৰ সমাজ বহু পৰিমাণে স্থিতিশীল আছিল। অতীজৰে পৰা ৰং, মধুৰ শব্দ, নাচ আৰু আমোদ প্ৰমোদৰ প্ৰতি মানুহে সদায় অনুৰক্ত হৈ আহিছে। এই বিভিন্ন উপাদানৰ সন্দৰ্ভত বৰ্ত্তমান সমাজত নতুন নতুন ফেশ্যনৰ উদ্ভব হৈছে—যিবিলাক লোকাচাৰৰ ভিতৰত সোমাই পৰিছে আৰু আমাৰ দৈনন্দিন জীৱনৰ এটা অংশ হৈ পৰিছে—যেনেকৈ চীনা সকলে আঞ্চলিক ৰীতি আৰু পূৰ্ব্বপুৰুষ সকলৰ প্ৰতি সজাগ আছিল।

ব্যক্তিগত স্বাতন্ত্র্যবাদ, সাদৃশ্য মনোভাৱ আৰু ফেশ্যন ঃ—আন কিছুমান সামাজিক আচৰণৰ নিচিনা ফেশ্যনৰ প্ৰতি দেখুওৱা আগ্ৰহ এটা আনুভূতিক আৰু অযুক্তিকৰ প্ৰবনতাশীল লক্ষণ। বৰ্ত্তমানে সমাজ সংগঠনত ক্ৰমান্বয়ে জনসাধাৰণৰ আধিপত্য বাঢ়িছে আৰু ব্যক্তি স্বাতন্ত্ৰ্যবাদৰ প্ৰভাব কমি আহিছে। ব্যক্তিয়ে নিজ অভিৰুচি সম্মত ফেশ্যন হে গ্ৰহণ কৰে আৰু ইয়াতেই ব্যক্তিত্বৰ বিকাশ হয়। জধে মধে কোনো মানুহেই ফেশ্যন অনুসৰণ নকৰে। কোনো মানুহৰ কোনো বস্তুৰ প্ৰতি হোৱা বিশেষ পছন্দ বা মনোনয়ন ফেশ্যন আৰু ৰুচিৰ সংমিশ্ৰনত উৎপন্ন হয়। আমাৰ বহুতৰেই আঙ্গুলিত আঙুঠি পিন্ধা এটা ফেশ্যন, আঙুঠিৰ ওপৰত নানা ডিজাইনৰ কাৰুকাৰ্য্য থাকে। নিজৰ ৰুচি অনুযায়ী কোনো কোনো ডিজাইনৰ আঙুঠি পছন্দ কৰি লোৱা হয়। গতিকে এই মনোনয়ন ফেশ্যন আৰু ৰুচিৰ সংমিশ্ৰন।

ফেশ্যন কোনো ৰীতি বা নিয়মৰ বশীভূত নহয়, ই যুক্তিৰো অনুগত নহয়, নাইবা ইয়াৰ পৰিবৰ্ত্তন সা-সুবিধাৰ ওপৰতো বৰ বেছিকৈ নিৰ্ভৰ নকৰে। "জৱহৰ" কোটৰ প্ৰচলন হৈছে কেৱল জৱহৰ লালক অনুসৰণ কৰিবৰ কাৰণে; কিশানৰ পোছাক বুলি দিয়া যুক্তি বাহ্যিক যেনহে লাগে।

ফেশ্যনে বিশেষকৈ গুৰুত্ব আৰোপ কৰে আৰাম, আত্ম-প্ৰদৰ্শন, ধুনপেচ, ৰিজনি আৰু স্বতন্ত্ৰতা ভাবত।

এষ্টেল বাৰৰ (Estelle Barr) মতে মানুহে, বিশেষকৈ মাইকী মানুহে, পোছাক কিনাৰ সময়ত আটাইতকৈ বেছিকৈ সঞ্চালিত হয় সাদৃশ্য অভিপ্ৰায়ৰ দ্বাৰা। তেওঁ আৰু কয় যে শিষ্টতাই কেতিয়াও নতুন ফেশ্যনৰ পথত ব্যৱধানৰ সৃষ্টি কৰিব নোৱাৰে, নহলে ব্ৰেচিয়াৰ বেদিং চুটৰ (Brassiere Bathing Suit) প্ৰচলন কেতিয়াও নহলহেঁতেন।

আজিকালি কোনে কিমান আৰামত থাকিব পাৰে সেই মনোভাব প্ৰতিযোগীতামূলক হৈ পৰিছে। সাধাৰণ কাঠৰ বা বেতৰ চকিৰ পৰিবৰ্ত্তে চ'ফা চেটৰ প্ৰয়োজনীয়তা বহুতেই অনুভৱ কৰিছে। বাইচাইকেল বা ৰিক্সাৰ পৰিবৰ্ত্তে মটৰ গাড়ীৰ চাহিদা বাঢ়িছে। বাটচ'ৰাৰ সলনি ড্ৰইং ৰুমৰ প্ৰচলন হৈছে। খালি মজিয়াত কাৰ্পেটৰ ব্যৱহাৰ হবলৈ ধৰিছে। ড্ৰইংৰুমৰ অভিনৱ ৰূপসজ্জা প্ৰতিযোগিতা-মূলক হৈছে। মানুহৰ জীৱন নিৰ্ব্বাহৰ মানদণ্ড যেন ড্ৰইং ৰুমতেই প্ৰকাশ পায়। লাহে লাহে শীত তাপ নিয়ন্ত্ৰিত ৰুমৰ প্ৰবৰ্ত্তন হবলৈ ধৰিছে।

স্নো-পাউদাৰৰ শৰাধ কৰি নতুন নতুন নানান ৰূপাঙ্কনৰ অলঙ্কাৰ পাতি আৰু পোছাক পৰিচ্ছদৰে সজ্জিত কৰি বহুতেই ফেশ্যনৰ মোহজালত আবদ্ধ হয়।

আঙ্গিক দোষক লুকাই ৰখাৰ আচৰণো এটা ফেশ্যন।

যদিও মানুহৰ অন্তৰত মিত-ব্যয়িতাৰ ভাব সদায় জাগ্ৰত হৈ থাকে তথাপি বস্তু কিনাৰ সময়ত তেওঁৰ ভাব তুলনা-

মূলক হৈ পৰে। “অমুকে নাইলনৰ চাদৰ লৈছে ময়ো লওঁ”—তেতিয়া আৰু পয়ছাৰ বেগৰ ফালে লক্ষ্য নাথাকে। তাৰোপৰি বজাৰত নতুন ডিজাইনৰ কিবা বস্তু ওলালে মানুহে কিনিবলৈ দ্বিধা বোধ নকৰে; ৰিজনি, সাদৃশ্য আৰু স্বতন্ত্রতা ভাবত আপ্লুত হৈ কিছুমান অলাগতিয়াল বস্তুও কিনি পেলায়। এখন মটৰ গাড়ীৰে চলিব পাৰিলেও কিছুমান পৰিয়ালত কেবাখনো মটৰ গাড়ী থকা দেখা যায়। সেইদৰে এজন মানুহেই কেবাডাল কলম ব্যৱহাৰ কৰা আমি দেখিবলৈ পাওঁ।

ফেশ্যনে পাৰ্থক্য বা বিভেদত গুৰুত্ব দিয়ে আৰু প্রত্যক্ষ বা পৰোক্ষ ভাবে সমাজৰ স্বীকৃতি বিচাৰে। সমাজৰ বাধা পালে ফেশ্যন সংযত হয়।

যেতিয়া কোনো ফেশ্যন সমূহৰ গ্রহণযোগ্য হৈ পৰে তেতিয়া তাৰ সমাদৰ ক্রমান্বয়ে কমি আহে, শেষত সময় আৰু ব্যৱহাৰিক সোঁতত ই লীন যায়। এফালে মানুহে ফেশ্যনত বিভেদ বিচাৰে, বিশেষত্বত গুৰুত্ব আৰোপ কৰে আনফালে ফেশ্যনে মিল বা সাদৃশ্যও বিচাৰে। এই দুটা বিপৰীত ইচ্ছাৰ ভাৰসাম্য অৱস্থাতেই ফেশ্যন জীয়াই থাকে আৰু ই সদায় পৰিবৰ্ত্তনশীল।

ফেশ্যন-পৰিবৰ্ত্তনৰ তৃষ্ণা আৰু অহং-বিস্তৃতি ঃ মনো-বিজ্ঞানমতে আনৰ লগত প্ৰভেদ, পৰিবৰ্ত্তন আৰু কেন্দ্ৰাপচাৰী

ইচ্ছাৰ ওপৰতেই ফেশ্যন বৰ্ত্তি থাকে। বহুদিন চলি থকা ফেশ্যন ক্রমে অবহেলিত হয়; পোছাক-পৰিচ্ছদ আৰু সাজ-সজ্জাৰ কিছুমান সময়বিশেষ পৰিবৰ্ত্তনৰ পৰা এইটো সহজে অনুভব কৰিব পাৰি। এই পৰিবৰ্ত্তন বিলাক মনোবিজ্ঞান সন্মত নে সংস্কৃতিগত বুজা টান। পি, এইচ্, নীষ্ট্ৰমএ (P. H. Nystrom) কয় যে ফেশ্যনৰ পৰিবৰ্ত্তনে আমাক কৃতকাৰ্য্যতাৰ বিফলতাৰ ক্ষতিপূৰণ কৰিবলৈ সুবিধা দিয়ে। হাৰল্‌কৰ (Hurlock) মতে পোছাকৰ মুখ্য উদ্দেশ্য হ'ল—আনৰ দৃষ্টি আকৰ্ষণ কৰা আৰু তেওঁলোকৰ প্ৰশংসা পোৱা। যিবিলাকে কোনো কাৰ্য্যক্ষেত্ৰত নিজৰ দক্ষতা আৰু কাৰ্য্যক্ষমতা দেখুৱাব নোৱাৰে, তেওঁলোকে পিন্ধা-উৰা আৰু ধুন-পেচত বিশেষ মনোযোগ দিয়ে। এজনী যুবতীয়ে এবাৰ কৈছিল যে তেওঁ যেতিয়াই কোনো কাৰণে নিৰাশ হব লগা হৈছিল তেতিয়াই তেওঁ নতুন কাপোৰ পিন্ধিছিল নাইবা নতুন জোতা এজোৰ লৈছিল আৰু আগৰ নিচিনা পুনৰ মনৰ সুস্থ অৱস্থা ঘূৰাই পাইছিল। গতিকে পোছাকৰ পৰিবৰ্ত্তনত আত্মানুভব ঘূৰাই পোৱা হয়।

যদিও মানুহৰ স্বইচ্ছাৰ লগত পৰিবৰ্ত্তনৰ সম্বন্ধ বেছি তথাপি যি কোনো পৰিবৰ্ত্তনতেই সামাজিক সন্মতিৰ বাবে বিশেষ লক্ষ্য ৰখা হয়।

ফেশ্যন দৈনন্দিন জীৱনৰ লগত ওতঃপ্ৰোত ভাবে জড়িত। আজিৰ সমাজ আগৰ যুগৰ সমাজ নহয়। নিতৌ ন ন

সাংস্কৃতিক ঢৌৰে সমাজক তিয়াই আছে । সমাজেও নতুনত্ব বিচাৰে । গতিকে পৰিবৰ্ত্তনৰ কবলত ফেশ্যন সহজে জঁই পৰে । ফেশ্যনৰ পৰিবৰ্ত্তনৰ প্ৰভাব যেতিয়া সমাজৰ ওপৰত সম্পূৰ্ণভাবে পৰে আৰু এই পৰিবৰ্ত্তন যেতিয়া সমাজে সহজে অনুমোদন কৰে তেতিয়া আমাৰ ভাল বেয়া বিচাৰ কৰিবলৈ উৎসাহ আৰু ক্ষমতা কমি যায় আৰু আমি এই বিষয়ত উদাসীন হৈ পৰোঁ । আমাৰ দেশত হাৱাইন চাৰ্টৰ যেতিয়া প্ৰবৰ্ত্তন হৈছিল, তেতিয়া আমি ইয়াক ব্যৱহাৰ কৰা লোক সকলক হাঁহিছিলোঁ, ইতিকিং কৰিছিলো; সৌন্দৰ্য্য বোধৰ ফালৰ পৰাও ইয়াক আমি প্ৰশংসা কৰিবলৈ টান পাইছিলোঁ; কিন্তু কালক্ৰমত হাৱাইন চাৰ্ট বজাৰত উপচি পৰিল আৰু লৰা, ডেকা, বুঢ়া, শিক্ষিত, অশিক্ষিত নিৰ্ব্বিশেষে—সকলোৱে ইয়াক ব্যৱহাৰ কৰিবলৈ ধৰিলে । এতিয়া কিছুমানে ৰং বিৰঙৰ ব্লাউজৰ কাপোৰৰো হাৱাইন্ চাৰ্ট ব্যৱহাৰ কৰা দেখা যায়, যাক কোনো কোনো লোকে 'মেটাৰনিটি কোট' বুলি আখ্যা দিয়া শুনা যায় ।

হিন্দু সমাজত বিবাহিতা মহিলাই কপালত সেন্দুৰ লোৱাতো এটা সামাজিক প্ৰথা । এই প্ৰথা যুগ যুগ ধৰি চলি আহিছে । কিন্তু আন ধৰ্ম্মৰ বিবাহিতা মহিলাই সেন্দুৰ নলয় । তেওঁলোকৰ—বিশেষকৈ পশ্চিম দেশৰ মহিলা সকলৰ সংস্পৰ্শত আহি আজিকালিৰ কিছুমান বিবাহিতা মহিলাই সেন্দুৰ লবলৈ টান পায়, অথচ সেন্দুৰ নোলোৱাকৈয়ো নাথাকে,

সাধাৰণ হিচাবে হলেও লয় ; বিশেষ ভাবে লক্ষ্য কৰিলেহে সেন্দুৰ লোৱা বুলি ধৰিব পাৰি। এই আচৰণৰ পৰা বুজা যায় যে তেওঁলোকে সমাজ প্ৰথাক উপেক্ষা কৰিবলৈ টান পায়। কিন্তু যিবিলাকে সমাজনীতিৰ প্ৰতি উদাসীন, তেওঁ-লোকে সেন্দুৰ লোৱাতো অপ্ৰিয় বুলিয়েই একেবাৰে বাদ দিছে। তথাপি সমাজৰ অনুমোদন বেছিভাগেই বিচাৰে।

কেতিয়াবা কেতিয়াবা দেখা যায়, শিষ্টতা বা বিনয় ভাবেও ফেশ্যনৰ ওচৰত মূৰ দোঁৱায়। বিবাহিতা তিৰোতাই ওৰণি লোৱাতো আমাৰ সমাজৰ এটা শিষ্টাচাৰ; কিন্তু আধুনিক চলনৰ ঢৌৱে ওৰণিৰ ব্যৱহাৰ উঠাই দিবলৈ বিচাৰিছে। হাত-কটা আৰু থ্ৰি-কোৱাৰ্টাৰ ব্লাউজৰ প্ৰভাব ক্ৰমান্বয়ে বাঢ়িব ধৰিছে। লিপষ্টিকে ডাঠ, মজলীয়া বা পাতল ৰঙেৰে বহুতৰে ওঁঠ পৰশিছে। সমাজত যেতিয়া নতুন ফেশ্যনৰ সূচনা হয় আৰু যদি ই সমাজৰ অনুমোদন সহজে নেপায় তেতিয়া অহংভাব আৰু বিবেকৰ অন্তৰ্দ্বন্দ হয়। এফালে আত্মতুষ্টিৰ উদ্ৰেক, আনফালে সমাজনীতিৰ তাড়না। এই দ্বন্দৰ মীমাংসা হয় ফেশ্যনৰ আকাৰৰ পৰিবৰ্ত্তনত। ওঁঠত ডাঠ ৰঙৰ সলনি পাতল ৰং আৰু মিলৰ ধুতিৰ সলনি মিহি খদ্দৰৰ ধুতিৰ ব্যৱহাৰ এই মীমাংসাৰেই পৰিণতি।

আমি এসময়ত পেণ্ট পিন্ধিবলৈ দ্বিধা বোধ কৰিছিলোঁ। তেতিয়া পেণ্ট পিন্ধাত সমাজৰ অনুমোদন পোৱা নাছিলোঁ। কিন্তু আমাক পেণ্ট পিন্ধাৰ প্ৰবল ইচ্ছাই খুলি খুলি খাইছিল।

গতিকে পেণ্টৰ পৰিৱৰ্ত্তে পায়জামা পিন্ধাত লাগিলোঁ। সেই-দৰে সমাজৰ পৰোক্ষ অনুমোদন আশা কৰি ৰঙীন লুঙীৰ সলনি ধুতিকেই লুঙীৰ নিচিনা ব্যৱহাৰ কৰিছিলোঁ। এই আটাইবোৰ আচৰণেই আমাৰ অন্তৰ্দ্বন্দৰ মীমাংসা। এই মীমাংসাৰ আৰু এটা নিদৰ্শন পোৱা যায়—যেতিয়া হাত-কটা ব্লাউজ আৰু দীঘল হাতৰ ব্লাউজ ব্যৱহাৰ নকৰি মহিলা সকলে চুটি হাতৰ ব্লাউজ ব্যৱহাৰ কৰে।

ফেশ্যনে আমাৰ ওপৰত প্ৰাধান্য লাভ কৰে এই কাৰণে যে ই আমাৰ ঈপ্সিত কল্পনা, ৰুচি আৰু স্বয়ংবোধক আপ্যায়িত কৰে আৰু সমাজৰ প্ৰত্যক্ষভাৱে বা পৰোক্ষ-ভাৱে ক্ৰমান্বয়ে সম্মতি লাভ কৰে।

সমাজৰ স্তৰে স্তৰে ফেশ্যনৰ বেলেগ বেলেগ মূল্যাঙ্কন হয়। বিয়া-সবাহত ধুতি পিন্ধা কাৰ্য্যত গাওঁৰ মানুহৰ কোনো প্ৰতিক্ৰিয়া নহয় কিন্তু নগৰত ই এটা আকৰ্ষনৰ আচৰণ।

ফেশ্যনে সদায় আনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে। এই প্ৰদৰ্শনী মনোভাব সকলোৰে পৰা মানুহৰ মনত শিপাই আছে। অহংভাবৰ বশীভূত হৈ থাকিলে প্ৰদৰ্শনী ভাবে মানুহৰ ওপৰত সহজে প্ৰভাব বিস্তাৰ কৰে। সমাজৰ সংগঠন কঠিন হলে অহংভাবৰ প্ৰতিপত্তি কমি আহে আৰু বিবেকৰ আদেশ অনুযায়ী ফেশ্যন সংযত হয়।

ফেশ্যনৰ পৰিবৰ্ত্তন চলিত সংস্কৃতি আৰু সামাজিক আদৰ্শৰ ওপৰতো নিৰ্ভৰ কৰে। আজিকালিৰ মানুহে ধুতি বাদ

দি ট্রাউজাৰ ব্যৱহাৰ কৰিবলৈ ধৰিছে। এই পৰিবৰ্ত্তন হৈছে আধুনিক বা-বতাহৰ প্ৰভাবত। সেইদৰে চুটি কোট আৰু ট্ৰাউজাৰৰ ব্যৱহাৰ ভাৰতীয় চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত।

সংস্কৃতিৰ ক্ৰমোন্নতিৰ ধাপ হিচাবে ফেশ্বন এটা সমাজ আচৰণ পদ্ধতি। ই পৰিবৰ্ত্তনশীল আৰু বৈশিষ্ট্যময়। এই পদ্ধতিয়ে আধুনিক মধ্যম শ্ৰেণীবো অৱতাৰণা কৰে। যি সমাজৰ নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ ৰক্ষণশীল আৰু তাৰ কোনো পৰিবৰ্ত্তন দেখা নাযায় তাত ফেশ্বনৰ কোনো ঠাই নাই।

ফেশ্বন গতিশীল আৰু সুস্পষ্ট। লোকাচাৰ সমূহ অস্থায়ী আৰু সময়ৰ লগে লগে পৰিবৰ্ত্তন হৈ থাকে।

সৰু লৰা-ছোৱালীয়ে প্ৰদৰ্শন কৰিবলৈ ভাল পায়। এই প্ৰদৰ্শনীয়তা ব্যক্তি সমাজ নিয়ন্ত্ৰিত আৰু কালত ইয়েই সাংস্কৃতিক নিয়ন্ত্ৰণৰ লগত একত্ৰিত হয়।

নতুন অভিজ্ঞতা আৰু তাৰ স্বীকৃতিৰ কাৰণে কৰা আকাঙ্ক্ষাৰ চূড়ান্ত ফল পৰিস্ফুট হয় ফেদ আৰু ক্ৰেজত। ফেদ আৰু ক্ৰেজসমূহ যদিও আনুভূতিক অস্থিৰতাৰ প্ৰতীক, তথাপি এই বিলাকৰ প্ৰয়োজন হয় নতুনত্ব, স্বীকৃতি আৰু আকৰ্ষণীয়তাৰ বাবে আৰু এইবোৰৰ কাৰণেই মানুহৰ মাজত প্ৰতিযোগিতাৰ সৃষ্টি হয় আৰু ন-ন ফেশ্বনৰ আবিষ্কাৰ হয়। যিয়ে সমাজত নতুনৰ সৃষ্টি কৰে তেওঁক সমাজে নেতৃত্ব দিয়ে।

সৰ্ব্বাধুনিক ফেশ্বনত যিবিলাক মানুহে চলাফুৰা কৰে তেওঁলোক সমাজৰ নেতৃস্থানীয় লোক বুলি পৰিগণিত হয়।

আদর্শ আৰু ফেশ্ব্যন ঃ—জর্জ সিমেল (George Simmel) এ মন্তব্য কৰে যে ফেশ্ব্যনে কেতিয়াবা কেতিয়াবা কোনো এক আদর্শ দাঙি ধৰে আৰু যি সকল নির্ভৰশীল লোক, তেওঁলোকে নিজৰ প্রসিদ্ধিৰ বাবে তেওঁলোকৰ নেতৃত্ব কৰা লোকৰ ফেশ্যন গ্রহণ কৰে আৰু এক শ্রেণী-সচেতন হৈ পৰে। এই শ্রেণী চেতনাই তেওঁলোকৰ যৌথ উৎসাহক সঞ্জীৱিত কৰি ৰাখে।

ৰাজনৈতিক স্বার্থলাভৰ বাবে মহাত্মা গান্ধীক অনুসৰণ কৰিবলৈ কংগ্রেছীসকলে খদ্দৰ ব্যৱহাৰ কৰিছিল। যি সকলে বৃটীছৰাজৰ ভক্ত আছিল আৰু নিজৰ স্বার্থ সিদ্ধিত ব্যস্ত আছিল তেওঁলোকে বৃটীছক অনুকৰণ কৰি বিদেশী পোছাক ব্যৱহাৰ কৰিছিল। ভাৰতবর্ষ স্বাধীন হোৱাৰ পিচত দেশীয় চৰকাৰৰ অনুগ্রহ প্রার্থী সকলৰ বহুতেই নেতাসকলৰ পিন্ধা-উৰাৰ ধৰণবোৰ অনুসৰণ কৰিবলৈ ললে আৰু খদ্দৰ ব্যৱহাৰ কৰিবলৈ ধৰিলে। বিশেষকৈ চৰকাৰৰ লগত সম্বন্ধ থকা, বেহাবেপাৰৰ সুবিধা লোৱা, চৰকাৰৰ পৰা ঋণ লোৱা, ঠিকা আদিৰ সুবিধা লোৱা, ইত্যাদি কাৰণে কিছুমানে খদ্দৰ ব্যৱহাৰ কৰি ওপৰৱালাৰ প্রিয় ভাজন হবলৈ যত্ন কৰে। এই ভৌতিক অনুসৰণ এটা মানসিক তোষামোদৰ স্বৰূপ আৰু ইয়াৰ মেৰুদণ্ড হল—ব্যক্তিগত স্বার্থ। ৰাজনৈতিক আদর্শৰ—পৰিবর্ত্তন হোৱাৰ লগে লগে এই সম্প্রদায়ৰ লোকবোৰ চালচলনৰ পৰিবর্ত্তন হৈ থাকে।

ক্ষতিপূৰণ আৰু ফেশ্যন ঃ—ক্ষতিপূৰণ কৰিবলৈও বহুতে চৌখীন হয়। যি সকলৰ আৰ্থিক অৱস্থা বেয়া, সি সকলে বাহ্যিক প্ৰদৰ্শনত বিশেষ মনযোগ দিয়ে, যি সকলৰ শাৰীৰিক গঠনত খুত থাকে, সি সকলে চৌখীন হবলৈ বিচাৰে ; যি সকলে নীচ বংশত জন্মগ্ৰহণ কৰে, তেওঁলোকেও মানসিক ভাৱসাম্য অৱস্থা বজাই ৰাখিবলৈ ফেশ্যনৰ আশ্ৰয় লয়। যি সকলে কোনো কামত সিদ্ধি লাভ কৰিব নোৱাৰে, তেওঁলোকে ধুনপেচ মাৰি আত্মতুষ্টি লাভ কৰে। যি সকলে কোনো গুনত নিকৃষ্ট, তেওঁলোকো ফেশ্যন-প্ৰিয় হয়। তিৰোতা সকলে হীনতা বোধৰ পৰা অব্যাহতি পাবলৈ চৌখীন হয় আৰু পুৰুষ সকলৰ প্ৰতিযোগী হৈ আনন্দিত বোধ কৰে। বহুতো মহিলাই পুৰুষৰ নিচিনা সমাজৰ বিভিন্ন কাৰ্য্য ক্ষেত্ৰত যোগ দিবলৈ ধৰিছে। আজিকালিৰ মহিলাই চাইকেল চলায়, মটৰ গাড়ী চলায় ; কোনো কোনোৱে পাইলট, সৈনিক, ডাক্তৰ, আইনজ্ঞ ইত্যাদি হৈছে ; আৰু আৰু এইদৰে নানান কামত পুৰুষৰ সমানে সমানে তেওঁলোকে যোগদান দিবলৈ ধৰিছে। পুৰুষৰ নিচিনা চাল চলনতো একে হবলৈ কোনো কোনো মহিলাই পুৰুষৰ স্বভাববোৰ যেনে—চিগাৰেট খোৱা, মদ খোৱা, পুৰুষৰ নিচিনাকৈ চুলি কটা, পোছাক পিন্ধা ইত্যাদিৰ অনুসৰণ কৰিবলৈ ধৰিছে।

যি সকল তিৰোতাৰ বিশেষ কাম নাই আৰু জিৰণিয়েই বেচি, গিৰিয়েক সকলৰ অৱস্থা টনকিয়াল—সি সকলে ফেশ্যনত

বিশেষ নেতৃত্ব কৰে। পৰোক্ষভাবে তেওঁলোকৰ ফেশ্যনত গিৰীয়েক সকলৰ পদমৰ্যাদাৰ মান ফুটি উঠে। কোনো কোনো পুৰুষে নিজে সাধাৰণ পোছাকেৰে দিন কটায়, কিন্তু তেওঁলোকে তেওঁলোকৰ ঘৈণীয়েক আৰু লৰা-ছোৱালী সকলে চকুত লগা পোছাক আৰু অলঙ্কাৰ পাতি ব্যৱহাৰ কৰাতো পছন্দ কৰে, আৰু তাতেই তেওঁলোকৰ বিশেষত্ব বজাই ৰাখি সন্তুষ্ট হয়। গতিকে অহং ভাবৰ বিস্তৃতি আৰু সমাজত স্বাতন্ত্র্য ভাব পোষণ কৰিবলৈ মানুহে ফেশ্যনৰ আশ্রয় লয় আৰু সঘনে ইয়াৰ পৰিবৰ্ত্তন বিচাৰে।

আবেগ, অনুভূতি, ভাবপ্ৰবনতা আদি বহু সময়ত ফেশ্যনৰ উৎস হৈ পৰে। প্ৰাক স্বাধীন ভাৰতত মহাত্মা গান্ধীৰ অৰ্দ্ধনগ্ন আবৰণ, জৱহৰলাল নেহেৰুৰ কিশান কোট, স্বামী বিবেকানন্দৰ গেৰুৱা বসনে এক আবেগৰ ইঙ্গিত দিছিল। সততা, ত্যাগ স্বীকাৰ, দৰিদ্ৰৰ প্ৰতি সহানুভূতি, ধৰ্ম্ম সংস্কাৰ আদিৰ ভিত্তিত গঢ়ি উঠিছিল—তেওঁলোকৰ জীৱন যাপনৰ মান। সেই আদৰ্শত অনুপ্ৰাণিত হৈ অনুচৰবৰ্গই তেওঁলোকৰ ধৰণবোৰ অনুসৰণ কৰিছিল আৰু অবিচ্ছেদ্যভাবে তেওঁ-লোকৰ জীৱনৰ লগত সংযুক্ত হৈছিল। এই গুৰুশিষ্য সম্বন্ধই বিভিন্ন ক্ষেত্ৰত বিভিন্ন লোকক বিশেষ ফেশ্যন গ্ৰহণ কৰিবলৈ উদগনি দিয়ে। ৱিনোবা ভাবেৰ শিষ্য সকলে ৱিনোবাৰ নিচিনা আড়ম্বৰ হীন জীৱন যাপন কৰিবলৈ উৎবাউল হয়। সেইদৰে জৱহৰলাল নেহেৰুৰ অনুচৰবৰ্গই

নেহেৰুৰ নিচিনা পোছাক পিন্ধি নিজকে আপ্যায়িত কৰে। আন আন ক্ষেত্ৰতো নেতৃবৃন্দৰ আচৰণে জনতাক মুগ্ধ কৰে আৰু সেই অনুসাৰে জনতাই বিশেষকৈ সংশ্লিষ্ট মহলে নেতৃবৃন্দৰ বিশেষ ধৰণ অনুসৰণ কৰে।

ফেশ্যন আৰু যৌন আকৰ্ষণ ঃ—বহুতেই ভাবে, জাকজমক পোছাক পৰিধান, দৈহিক ভূষণ যৌন আকৰ্ষণৰ নিদৰ্শন। কিন্তু এই যুক্তিৰ সত্যাসত্যতা সঠিককৈ কোৱা টান। পোছাকৰ এটা উপযোগ বা প্ৰয়োজনীয়তা আছে কিন্তু দৈহিক ভূষণ—আত্মবিকাশ, স্বাতন্ত্ৰ্য বা আনৰ দৃষ্টি আকৰ্ষণৰ বাবেও হব পাৰে। দৈহিক ভূষণ আৰু জাকজমক পোছাকৰ ব্যৱহাৰ কেৱল যে যৌন আকৰ্ষণৰ বাবে কৰা হয়, আমি সঠিককৈ কব নোৱাৰোঁ; নাইবা ইযে অবসৰ-বিনোদন-মত্ত শ্ৰেণী এটাৰ প্ৰতিপত্তিৰ প্ৰকাশ, তাকো আমি কব নোৱাৰোঁ। ব্ৰেচিয়াৰ, হাতকটা আৰু পিঠি উলিয়াই ৰখা ব্লাউজৰ ব্যৱহাৰ বহুতেই যৌন আকৰ্ষণ প্ৰনোদিত বুলি ধাৰণা কৰে। কিন্তু এইটো পূৰা পূৰি সত্য বুলি মানি লব নোৱাৰি। যৌন আকৰ্ষণৰ ইচ্ছা অজ্ঞাতভাবে হব পাৰে, কিন্তু এই ইচ্ছা সচেতন অৱস্থাসিদ্ধ নহয়। যৌন আকৰ্ষণৰ ইচ্ছাই ফেশ্যনৰ মূল কাৰণ হব নোৱাৰে। অনুসৰণ আৰু সাদৃশ্য মনোভাবৰ কাৰণেও, ফেশ্যনৰ পৰিবৰ্ত্তন হব পাৰে। যৌনাকাঙ্ক্ষাৰ বশৱৰ্ত্তী হৈয়ো কিছুমানে নিজকে

সুসজ্জিত কৰিবলৈ চেষ্টা কৰে। ৰচকীৰ ধুনপেছ এই আকাঙ্ক্ষাৰে অনুগত। কিন্তু তথাপি যৌন সংক্ৰান্ত আসক্তিতকৈ আন ধৰণৰ আসক্তিয়েহে ফেশ্যনৰ মূল ভেটি তৈয়াৰ কৰে। লাহতীৰ ধুনপেচ আত্মস্ফীতিৰে পুষ্ট। কিছুমান আদিম জাতীয় সমাজৰ মাজত দেখা যায় যে মতা মানুহে তিৰোতাতকৈ বেছি জাক-জমকপূৰ্ণ পোছাক লয় আৰু নিজকে নানা ধৰণে ভূষিত কৰে। ইয়াৰ পৰা আমি কব নোৱাৰো যে তেওঁলোকে তিৰোতা মানুহক আকৰ্ষণ কৰিবলৈ নাইবা আৰামী জীৱনৰ শক্তি সামৰ্থ্যৰ পৰিচয় দিবলৈ এনেকৈ চিত্ৰ বিচিত্ৰ সাজ সজ্জাৰে ভূষিত হয়। আজি কালি ছোৱালীয়ে ১৪।১৫ বছৰ বয়সলৈকে ফ্ৰক পিন্ধা দেখা যায়। তথাপি এই আচৰণত যৌন আকৰ্ষণৰ অভিপ্ৰায় নিহিত থকা বুলি কোনেও কব নোৱাৰে। এইবোৰ আচৰণ কল্পনা আৰু অভ্যাস সংমিশ্ৰিত।

যি কোনো ফেশ্যনেই গ্ৰহণযোগ্য হলে, মানুহক তত্তালিকে আকৰ্ষণ কৰে। লিপষ্টিক আৰু বব্‌কটা চুলি যদি সকলোৱে পছন্দ কৰ, তেন্তে পুৰুষক আকৰ্ষণ কৰিবলৈ সকলো মাইকী মানুহে ওঁঠত লিপষ্টিক ঘঁহিবলৈ লব আৰু চুলিৰ বব্ কাটিবলৈ চেষ্টা কৰিব। প্ৰথমতে হাতকটা ব্লাউজ পুৰুষৰ অপছন্দ হব পাৰে কিন্তু যেতিয়াই সমাজে ইয়াক অনুমোদন কৰে, তেতিয়াৰ পৰাই হাত কটা ব্লাউজ পিন্ধা মহিলাইহে পুৰুষক বেছিকৈ আকৰ্ষণ কৰিব।

তৃতীয় অধ্যায়

ফেশ্যন আৰু যৌথ আচৰণ

ফেশ্যনৰ বিশেষত্ব এই যে প্ৰথমতে কোনো এটা দলৰ কিছু সংখ্যক লোকেহে ইয়াক আদৰি লয়। দলৰ বেছি ভাগেই সেই ফেশ্যন পিচত গ্ৰহণ কৰে। ইয়াৰ সম্পূৰ্ণ প্ৰচলন লাহে লাহে সমূহৰ মাজত বিয়পি পৰে।

ফেশ্যনৰ ক্ষেত্ৰত আমি ইচ্ছাপূৰ্ব্বক যুক্ত্যাভাসৰ (Rationalisation) ৰূপান্তৰ কৰোঁ। যৌন আকৰ্ষণৰ কাৰণে এটা ষ্টাইল আন এটা ষ্টাইলৰ নিচিনাই। যেতিয়াই কোনো ষ্টাইল বিশ্ব জুৰি বিয়পি পৰে, তেতিয়াৰ পৰাই তাৰ প্ৰতি জনপ্ৰিয়তা কমি আহে আৰু শেষত ইয়াৰ অস্তিত্বই লোপ পোৱা দেখা যায়। ৰোবাৰ্ট ই পাৰ্কে (Robert E. Park) এবাৰ মন্তব্য কৰিছিল যে বেছিভাগ মানুহেই ফেশ্যনৰ অনুগমন কৰে—কিন্তু কোনোৱেও ফেশ্যনৰ পূৰ্ব্ববৰ্ত্তী হব নোৱাৰে। যি কোনো ফেশ্যনেই ইয়াৰ সংপৃক্তি (Saturation) বিন্দু পালে ক্ৰমান্বয়ে জহি যাবলৈ ধৰে। ফেশ্যন সদায় ওপৰ শ্ৰেণীৰ পৰা তলৰ শ্ৰেণীলৈ বিয়পি যায়। যেতিয়াই কোনো ফেশ্যন সাৰ্ব্বজনীন হৈ পৰে তেতিয়াই ফেশ্যনৰ আবিষ্কাৰক সকলে নতুন ফেশ্যনৰ প্ৰবৰ্ত্তন কৰে। এই অনুকল্প কৌশল

বা মনোবৃত্তি আধুনিক ফেশ্যনৰ এটা ডাঙৰ বিশেষত্ব বা গুণ আৰু এই গুণ "স্পর্শ কৰা আৰু যোৱা" (touch and go) সভ্যতাৰ অন্তৰঙ্গ অংশ।

ডা-ডাঙৰীয়াৰ ফেশ্যনৰ ওপৰত প্ৰভাৱ ঃ—থ'ৰষ্টেইন ভেব্লেন এ (Thorstein Veblen) তেওঁৰ থিওৰি অৱ লেইজাৰ ক্লাচ (Theory of Leisure Class) কিতাপত লিখিছে যে ধনতান্ত্ৰিক সমাজত শ্ৰেণী বিভেদৰ দুটা ডাঙৰ লক্ষণ দেখিবলৈ পোৱা যায়। এটা হৈছে দৃষ্টি আকৰ্ষণকাৰী উপভোগ বা ব্যৱহাৰ (Conspicuous cousumption) আৰু আনটো দৃষ্টি আকৰ্ষণকাৰী আৰাম বা অবকাশ (conspicuous leisure)। এটা পৰিয়ালতেই দৰ্কাৰ নহলেও কেবাখনো বেলেগ বেলেগ মডেলৰ মটৰ গাড়ী থকা আমি দেখিবলৈ পাওঁ। এইটো হল দৃষ্টি আকৰ্ষণকাৰী উপভোগৰ নিদৰ্শন। এজন মানুহেই কেবাটাও চাকৰ ৰাখি শাৰিৰীক পৰিশ্ৰম নকৰাকৈ দিন কটোৱাও আমাৰ চকুত পৰে। এই আৰামকে আমি দৃষ্টি আকৰ্ষণকাৰী আৰাম বা অবকাশ বুলি কব পাৰো। ইয়াৰ নিদৰ্শন আমি চাহ বাগিছাবোৰত দেখিবলৈ পাওঁ। কোনো কোনো চাহ বাগিছাৰ মেনেজাৰৰ ২০।২২ টালৈকে চাকৰ আছে।

উচ্চ মধ্যবিত্ত শ্ৰেণীৰ লোকসকলে ফেশ্যনৰ সঘনে পৰিবৰ্ত্তণ অনাত বিশেষ বৰঙণি যোগায়। সৰ্ব্বসাধাৰণৰ ওপৰত এই

শ্ৰেণীৰ নেতৃত্বৰ প্ৰভাৱ প্ৰত্যক্ষ বা পৰোক্ষ ভাবে সদায় আৰোপিত হৈ থাকে; লগে লগে সমাজ নিয়ন্ত্ৰনো চলি থাকে। এটাৰ প্ৰভাবত আনটো জঁই পৰি যায়। ফেশ্যনৰ প্ৰভাব বেছি হলে—সমাজে হেঙাৰ এৰি দিয়ে।

যাৰ পৰা ফেশ্যন গ্ৰহণ কৰা হয় তেওঁ সাধাৰণতে সম্মানাৰ্হতাৰ অধিকাৰী। খ্যাতি থকা লোকসকলৰ ফেশ্যনৰ ক্ষেত্ৰত বিশেষ অবদান আছে। বৰ্ত্তমানে পদমৰ্য্যাদা অভিজাত্যতকৈ ধনদৌলতৰ অভিজাত্যৰ প্ৰভাব বাঢ়িছে।

উদ্যোগবিপ্লব আৰু ৰাজনৈতিক গণতন্ত্ৰৰ উত্থানৰ লগে লগে শ্ৰেণী বৈষম্য ক্ৰমান্বয়ে কমি আহিছে আৰু ফেশ্যনৰো সঘনে পৰিবৰ্ত্তণ হৈ আহিছে। এই 'মুক্ত শ্ৰেণী' পদ্ধতিয়ে পৰিবৰ্ত্তনৰ আধাৰ পোষণ কৰি থাকে। সামাজিক মান উন্নত কৰাৰ ইচ্ছাইও মানুহক চৌখীন হবলৈ প্ৰেৰণা দিয়ে।

আজিকালি ফেশ্যন সকলো শ্ৰেণীৰ মাজতেই দ্ৰুত গতিত প্ৰচলিত হবলৈ ধৰিছে আৰু এক অভিনব মনোবৃত্তিৰে পোষিত বাতাবৰণৰ সৃষ্টি হোৱাত শ্ৰেণী বৈষম্য লাহে লাহে কমি আহিবলৈ ধৰিছে। বজাৰত কম দামৰ বস্তু ওলোৱাত নিম্ন থাপৰ লোক সকলেও কম পয়চাৰেই উচ্চ থাপৰ লোকসকলৰ মাজত প্ৰচলিত ফেশ্যন অনুসৰণ কৰিব পাৰে। আজিকালিৰ বজাৰত কম মূল্যৰ নকল সোণৰ বস্তুৰ অভাব নাই। গতিকে উচ্চ শ্ৰেণীয়ে ব্যৱহাৰ কৰা সোণৰ অলঙ্কাৰ-

পাতিৰ ডিজাইনৰ অনুকল্প ৰূপ নকল সোণৰ বস্তুতো পোৱা যায়। উচ্চ খাপৰ লোকে তেওঁলোকৰ মাজত প্ৰচলিত কোনো ফেশ্যন তল খাপৰ মানুহে অনুকৰণ কৰিলে সেই ফেশ্যন বাদ দি আকৌ নতুন ফেশ্যন আবিস্কাৰ কৰে। কেতিয়াবা কেতিয়াবা পুৰণি ফেশ্যনকে নতুন ৰূপদি আকৌ প্ৰচলন কৰিবলৈ ধৰে। ভমকা ফুলীয়া গামোচা, মেখেলা, চাদৰ আদি বহুদিন আগতে ব্যৱহৃত হৈছিল—অসমীয়া মানুহৰ মাজত। চহৰ বাসীয়ে ফুলৰ মাত্ৰা কমাই দিলে, তাৰ প্ৰভাৱত গাৱঁতো ফুলৰ সংখ্যা বা বিস্তৃতি কমি আহিল। কিছুমানে ফুলথকা কাপোৰৰ ব্যৱহাৰেই বাদ দিলে। কিন্তু এতিয়া পুনৰাই ইয়াৰ মাহাত্ম্য চৰিল। কাৰণ উচ্চস্থানৰ লোক সকলে ইয়াৰ পৃষ্ঠপোষকতা কৰিবলৈ ধৰিলে। জনজাতীয় লোকৰ মাজত প্ৰচলিত নানান কাপোৰ ব্যৱহাৰ কৰা আজিকালি এটা ফেশ্যন হৈ পৰিছে। আবৰৰ কোট আজিকালি জৱহৰ কোটৰ নিচিনা ব্যৱহাৰ হবলৈ ধৰিছে। জনজাতীয় নানান ডিজাইনৰ বস্তুৰে নগৰৰ বহুতৰে ড্ৰইংৰুম শোভিত হৈ আছে।

ফেশ্যন কেৱলযে ভৌতিক বস্তুৰ লগত জড়িত এনে নহয়, শব্দ গুচ্ছ, ঠাট্টাবিদ্ৰূপ, জনপ্ৰিয় গান আৰু নাচ আদিৰ ওপৰতো ইয়াৰ প্ৰভাব বিৰাজমান। বাতৰি কাকত, আলোচনী, ৰেদিও, চিনেমা, নাটক ইত্যাদি মাধ্যমৰ জৰীয়তেও ফেশ্যনৰ প্ৰভাব বিস্তাৰিত হয়; আনকি বিজ্ঞাপনৰ মাজেৰেও ফেশ্যনৰ প্ৰচলন হয়।

সমাজৰ উচ্চশ্ৰেণীৰ—বিশেষকৈ পোছাক আৰু গহনা পাতিৰ—ডিজাইনবোৰ আন শ্ৰেণীৰ মানুহে সহজতে অনুকৰণ কৰে। কাৰণ পোছাক আৰু অলঙ্কাৰপাতিয়ে মানুহৰ দৃষ্টি আকৰ্ষণ কৰাত উত্তম মধ্যম। মানুহ প্ৰদৰ্শন প্ৰিয় আৰু সেইবাবেই পোছাক আৰু অলঙ্কাৰৰ পৰিবৰ্ত্তণ সঘনে হৈ থাকে। য'ত বহু মানুহৰ সমাগম হয় তাত ফেশ্যনৰ জাউৰি উঠে। সময় আৰু সুযোগ পালে সেই একে ঠাইতে কিছুমানে সাজপাৰ সলাই সলাই নিজকে প্ৰদৰ্শন কৰিবলৈ ধৰে। ইয়াৰ নিদৰ্শন পোৱা যায় বিশেষকৈ বিহু, পূজা, দ্বীপান্বিতা আদি উৎসৱবোৰত। ইয়াৰ বাহিৰেও বিয়া, সভা, সংস্কৃতি আৰু আন আন সমাৰোহত ফেশ্যনৰ মহিমা দেখিবলৈ পোৱা যায়।

বেহা-বেপাৰ আৰু ফেশ্যনঃ—ফেশ্যনত আমি বহু ধন খৰছ কৰোঁ। আমেৰিকাৰ ষ্টুৱাৰ্ট চেজে (Stuart Chase) এবাৰ হিচাব কৰি পাই- ছিল যে ১৯১৯ চনত আমেৰিকা-বাসীয়ে তেওঁলোকৰ মুঠ ক্ৰয় ক্ষমতাৰ এক তৃতীয়াংশ বিলা-সিতাত খৰছ কৰিছিল। এলিজাবেথ হৱেস এ (Elizabeth Hawes) কয় যে ১৯৩৮ চনত আমেৰিকান সকলে ২½ বিলিয়ন ডলাৰ ফেশ্যন সম্বন্ধীয় বস্তুৰ ওপৰত খৰছ কৰিছিল।

আধুনিক জগতত বণিক সকলে নতুন নতুন ফেশ্যনৰ সৃষ্টি কৰিছে আৰু নানা ধৰণৰ বস্তু তৈয়াৰ কৰি জনসাধা-ৰণৰ চাহিদা বঢ়াইছে। মানুহৰ মন আকৰ্ষণ কৰিবলৈ

নতুন নতুন পদ্ধতিত বিজ্ঞাপনো প্ৰকাশ হবলৈ ধৰিছে। বণিক সকলেই ফেশ্যনৰ সঘনে পৰিবৰ্ত্তন আনে। মানুহে সদায় নতুনত্ব বিচাৰে আৰু সেই কাৰণেই বণিক সকলে বৈজ্ঞানিক উপায়েৰে বজাৰত নানা ধৰণৰ নতুন নতুন বস্তু আমদানি কৰিছে আৰু অলাগতিয়াল বস্তুকো লাগতিয়াল কৰি তুলিছে। বৰ্ত্তমান তেওঁলোকে ডিজাইনৰ ওপৰত বিশেষকৈ মনোনিবেশ কৰিছে। কাৰণ ডিজাইনৰ পৰিবৰ্ত্তনৰ ওপৰতেই তেওঁলোকৰ বস্তুৰ চাহিদা বাঢ়ে। ডাঙৰ ডাঙৰ উদ্যোগী সকলে নতুন নতুন ডিজাইন সৃষ্টিৰ বাবে বিশেষজ্ঞও নিয়োগ কৰিছে আৰু নানা দেশৰ চাহিদা সম্পৰ্কে গৱেষণা চলাইছে।

ফেশ্যন আৰু নৈতিকতাঃ—কোনো কোনো সময়ত ধৰ্ম্ম-প্ৰচাৰক সকলে নৈতিকতাৰ দোহাই দি ফেশ্যনক শাসন কৰে। এসময়ত পাদুৰিসকলে ধৰ্ম্মৰ দোহাই দি মানুহৰ পোছাক পৰিচ্ছদৰ নিয়ন্ত্ৰণ কৰিছিল; তিৰোতাই চিগাৰেট বা মদ ব্যৱহাৰ কৰাটো নীতি বিৰুদ্ধ কাৰ্য্য আছিল। সেইদৰে আগৰ দিনত আমাৰ সমাজত বিবাহিতা মহিলাই মুখ ঢাকি ওৰণি লোৱাতো এটা সমাজ নিয়ন্ত্ৰিত ৰীতি আছিল। আধুনিক সভ্যতাৰ প্ৰভাৱত সমাজৰ বিধানবোৰ নম্ৰ হৈ আহিল।

ফেশ্যনৰ ক্ষেত্ৰত আমি প্ৰায়েই সমাজ নীতিৰ বান্ধ ঢিলাই দিওঁ। আগতে অসমীয়া মানুহৰ মাজত লুঙী, পায়জামা, পেণ্ট আদিৰ প্ৰচলন নাছিল আৰু এইবোৰ ব্যৱহাৰ কৰা

মানুহে সমাজত সমাদৰ নেপাইছিল। কিন্তু লাহে লাহে সমাজনীতিৰ বান্ধ ঢিলা হৈ আহিল। এতিয়া কোনে লুঙি ব্যৱহাৰ কৰে, তাৰ প্ৰতি আমাৰ ভ্ৰূক্ষেপ নাই। সেইদৰে শাৰীৰ ব্যৱহাৰতো কটকটীয়া সামাজিক বাধা নাই। কিন্তু প্ৰাদেশিকতা বা জাতীয়তাবোধৰ প্ৰভাৱ বেছি হলে ফেশ্বনে চলিত প্ৰথাৰ আশ্ৰয় লবলৈ বাধ্য হয়। ভাৰত-বৰ্ষত জাতীয়তাবোধৰ প্ৰভাৱতেই ট্ৰাউজাৰৰ লগত চুটি কোটৰ মিলন হ'ল। সেইদৰে প্ৰাদেশিকতাৰ দোহাই দি বঙ্গালী মহিলাই শাৰী আৰু অসমীয়া মহিলাই মেখেলাৰ ব্যৱহাৰ এৰি নিদিয়ে। কিন্তু যিবিলাকে ফেশ্বনৰ মোহ-জালত আবদ্ধ হয়, তেওঁলোকে সকলো বোধেৰে হেঙাৰ পাৰ হৈ যায় আৰু কোনো নীতিৰ বশীভূত হবলৈ ভাল নেপায়। কিন্তু সৰহভাগ মানুহেই ফেশ্বন প্ৰিয় হলেও সামাজিক নৈতিকতাৰ হেঙাৰ অতিক্ৰম কৰি নেযায়। হিন্দুৰ বিবাহিতা কিছুমান মহিলাই ফেশ্বনৰ বশীভূত হৈ অলঙ্কাৰ আৰু বিশেষ সাজসজ্জাৰ ব্যৱহাৰ এৰিছে। কিন্তু তথাপি তেওঁলোকে সামান্য ভাবে হলেও সেন্দুৰৰ ব্যৱহাৰ এৰিবলৈ পৰা নাই কাৰণ সামাজিক নৈতিকতাৰ তীব্ৰ বান্ধোনে তেওঁলোকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি আছে।

ফেশ্বন আৰু প্ৰয়োজনীয়তা :—যুক্তিবাদী সকলৰ কিছু-মানে পোছাকৰ সংস্কাৰ কৰিবলৈ যত্ন কৰে কিন্তু তেওঁলোকে

অলপ সংখ্যক লোকৰ ওপৰতহে প্ৰভাব বিস্তাৰ কৰিব পাৰে। বেছিভাগ ক্ষেত্ৰতেই তেওঁলোক কৃতকাৰ্য্য নহয়। কাৰণ ফেশ্যনে কোনো যুক্তিৰ আহ্বানত মুগ্ধ নহয়। অনুভূতি আৰু ভাব-প্ৰবনতাই ইয়াৰ বুনিয়াদ তৈয়াৰ কৰে। ই বুদ্ধি সংক্ৰান্ত বিবেচনাৰ প্ৰতি উদাসীন। নানা সময়ত নানা ধৰণৰ পোছাক পৰিচ্ছদ বা অলঙ্কাৰ পাতি ব্যৱহাৰ কৰাত কোনো যুক্তিসংগত নিবেদন নাথাকে। অবাস্তব কল্পনাইহে ফেশ্যনৰ ওপৰত বেচিকৈ প্ৰভাব পেলায়।

যদিও পোছাক বা ভূষণৰ কিছুমান ব্যৱহাৰিক দিশ আছে তথাপি গতিশীল সমাজত ফেশ্যনৰ ব্যৱহাৰিক মূল্যতকৈ ৰুচি, কাল্পনিক দৃঢ় বিশ্বাস আৰু জীৱনৰ নৈতিক বুনিয়াদৰ ওপৰত বেচিকৈ গুৰুত্ব আৰোপ কৰা হয়।

প্ৰশিক্ষণ কালত উদ্যোগশালাত ব্যৱহাৰিক পোছাকৰ পৰিবৰ্ত্তে আজিকালিৰ ডেকা সকলে ৰুচি অনুযায়ী নিজৰ নিজৰ বেলেগ বেলেগ পোছাক ব্যৱহাৰ কৰে। শিক্ষক সকলে নিয়ম জাৰি কৰিও তেওঁলোকৰ ওপৰত প্ৰভাব বিস্তাৰ কৰিব নোৱাৰে।

কোনো কোনো ফেশ্যন অনুভূতিমূলক আৰু দেশাত্ম-বোধৰ লগত জড়িত। আজিকালি "জৱহৰ কোট" বহুতৰে প্ৰিয় হৈ পৰিছে। ভাৰতৰ প্ৰধান মন্ত্ৰী জহৰলাল নেহেৰুৱে যেতিয়া অসহযোগ আন্দোলনৰ পৃষ্ঠপোষকতা কৰিছিল তেতিয়া তেওঁ সৰ্ব্বসাধাৰণ কিশানৰ লগত নিজকে অবিচ্ছেদ্য-

ভাবে যুক্ত কৰিবলৈ তেওঁলোকে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা কোট পিন্ধিছিল। এই আদৰ্শৰে উদ্বুদ্ধহৈ বহুতো দেশ-সেৱকে এই কোট পিন্ধিবলৈ ধৰিলে; ফলত এই কোটৰ নাম "জৱহৰ কোট" আৰু ইয়াৰ ব্যৱহাৰ সকলোৰে মাজত বিয়পি পৰিল। শেষত জৱহৰ কোট এটা ফেশ্যনত পৰিণত হ'ল। সেইদৰে গান্ধীজীয়ে "হেট্" পৰিত্যাগ কৰি গুজৰাটৰ সৰ্ব্বসাধাৰণে ব্যৱহাৰ কৰা টুপী পিন্ধি কংগ্ৰেছৰ গুৰি ধৰিছিল আৰু তাকেই অনুসৰণ কৰি কংগ্ৰেছৰ নেতৃবৃন্দ আৰু স্বেচ্ছাসেৱক সকলে টুপী পিন্ধিবলৈ ধৰিলে, যাৰ নাম গান্ধীটুপী হিচাবে জনাজাত হল। জৱহৰ কোটৰ প্ৰচাৰ থিকেই চলি আছে, কিন্তু গান্ধীটুপীৰ ব্যৱহাৰ ক্ৰমান্বয়ে কমি আহিছে। আগৰ কংগ্ৰেছৰ সকলো কৰ্ম্মীয়ে গান্ধীটুপী ব্যৱহাৰ কৰিছিল কিন্তু বৰ্ত্তমান নতুনকৈ ভৰ্ত্তি হোৱা কংগ্ৰেছীৰ মাজত ইয়াৰ প্ৰচলন কমি আহিছে। এই পৰিবৰ্ত্তিত মনোভাবৰ সূচনা হৈছে আদৰ্শ আৰু প্ৰয়োজনীয়তা বা শালীনতাৰ সংঘৰ্ষৰ কাৰণে। স্বাধীনতা লাভ কৰাৰ পিচত ভাৰতবৰ্ষত বহুক্ষেত্ৰতেই আদৰ্শৰ অবৰোহণ হৈছে। প্ৰয়োজনীয়তা, শালীনতা আৰু বিলাসিতাত বিশেষকৈ মনোনিবেশ কৰা দেখা গৈছে। স্বাধীনতাৰ আগতে আদৰ্শ আছিল—আড়ম্বৰহীন জীৱন যাপন আৰু উচ্চ চিন্তা কৰা, আৰু নিজকে সৰ্ব্বসাধাৰণৰ সুখ-দুখ, আশা-আকাঙ্ক্ষা আৰু দৈনিক জীৱন ধাৰাৰ লগত মিলাই দিয়া; তেতিয়া সত্য, ত্যাগ আৰু সৰলতা জীৱনৰ

মূলমন্ত্ৰ আছিল। এই আদৰ্শ শিৰত লৈ আগবাঢ়িছিল— দেশৰ হিত চিন্তা কৰোতাসকলে আৰু তেওঁলোকে দেশক স্বাধীন কৰিবলৈ দৃঢ়সঙ্কল্প হৈ যুদ্ধত আত্ম নিয়োগ কৰিছিল ; তাৰ লগত জড়িত আছিল কৌটি কৌটি নৰনাৰীৰ শুভেচ্ছা, আন্তৰিকতা আৰু সক্ৰিয় সহযোগিতা। স্বাধীনতাৰ পিচত বাতাবৰণৰ পৰিবৰ্ত্তন হল। দেশত যুগধৰ্ম্মৰ প্ৰভাব পৰিল। ভৌতিক উন্নতিৰ বাবে টনা আজোৰা লাগিল। ফেশ্বনৰ মোহজালত বেচি ভাগেই আবদ্ধ হল। সকলোৱে উচ্চ পৰ্য্যায়ত জীৱন যাপন কৰিবলৈ উঠি পৰি লাগিল।

এতিয়াৰ সমাজ প্ৰদৰ্শনপ্ৰিয় আৰু গাম্ভীৰ্য্যহীন। অস্বাভাবিক আৰু ভৌতিক জালত বন্দীহৈ আজিৰ সমাজ সংজ্ঞাহীন হৈ পৰিছে। স্বাধীনতাযুঁজৰ কালত খদ্দৰ পিন্ধা মানুহ সমাজৰ প্ৰিয়ভাজন আছিল—আজিৰ সমাজে খদ্দৰধাৰীক সন্দেহ আৰু ঘৃনাৰ চকুৰে চায়। আগৰ দিনত দেশপ্ৰেমিক সকলে খদ্দৰ ব্যৱহাৰ কৰিছিল দেশ মঙ্গল কামনা কৰি আৰু নিঃকিনক সহায় কৰিবলৈ ; এতিয়া বহুতেই দেশভক্তৰ সলনি দেহভক্ত হল আৰু কোনো বিশেষ স্বাৰ্থ সিদ্ধিৰ বাবে খদ্দৰ ব্যৱহাৰ কৰিবলৈ ধৰিলে। সৰলতা আৰু জটিলতাৰ যুদ্ধত সৰলতাই যেন প্ৰত্যক্ষ ভাবে হাৰ মানিছে। গান্ধি টুপীৰ ব্যৱহাৰো কমি গ'ল কাৰণ প্ৰয়োজনীয়তাৰ ফালৰ পৰা চালে ইয়াৰ ওপৰত বিশেষ গুৰুত্ব দিব নোৱাৰি। আগৰ কালত এই টুপী ত্যাগৰ প্ৰতীক আছিল ; ইয়াৰ ব্যৱহাৰ প্ৰয়োজন বা বিলাসিতাসাপেক্ষ

নাছিল। সেইকাৰণে ইয়াৰ ব্যৱহাৰ এতিয়া কমি আহিছে।

খদ্দৰ ব্যৱহাৰ কৰা মানুহবো এতিয়া বেলেগ বেলেগ শ্ৰেণী হৈছে। বৰ্ত্তমান কংগ্ৰেছ এটা শাসনত অধিষ্ঠিত পাৰ্টি। এই পাৰ্টিৰ অনুগ্ৰহী সকলে এতিয়া খদ্দৰ ধাৰী হৈছে। তেওঁলোকৰ উদ্দেশ্য হল—ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত নিজৰ মান বঢ়োৱা। আন এটা খদ্দৰধাৰী শ্ৰেণী, গঠন মূলক কৰ্ম্মী আৰু গ্ৰামোদ্যোগী সকলৰ দ্বাৰা গঠিত। এওঁলোকৰ বেচি ভাগেই মানব সেৱাৰ আদৰ্শৰে উদ্বুদ্ধ। ইয়াৰ বাহিৰেও আন আন ৰাজনৈতিক দল, খাদি বোৰ্ড, চৰকাৰৰ নিম্নতম চাকৰিয়াল সকলে (এওঁলোকে চৰকাৰৰ পৰা বিনামূল্যে খদ্দৰৰ পোছাক পায়) খদ্দৰ ব্যৱহাৰ কৰা দেখা যায়। গতিকে কোনো উদ্দেশ্য সিদ্ধিৰ প্ৰয়োজনীয়তাই মানুহক খদ্দৰ ধাৰী কৰিছে।

ফেশ্যন আৰু শিষ্টতা ঃ—শিষ্টতা বা শালীনতা বোধৰ কাৰণেও ফেশ্যনৰ পৰিবৰ্ত্তন হোৱা দেখা যায়। গাওঁত বিশেষকৈ নামনি অসমৰ গাওঁত মহিলা সকলে দৈনন্দিন জীৱনত ভৰিৰ পৰা বুকুলৈ দেহখণ্ড আবৃত কৰিবলৈ কেৱল মেখেলা, আৰু ওৰণিৰ কাৰণে তেলাচ্ ব্যৱহাৰ কৰে ; কিন্তু আধুনিক সভ্যতাৰ পোহৰ পোৱা মহিলাই তাৰ পৰিবৰ্ত্তে ব্লাউজ, চাদৰ আৰু পেটি-কোটৰ ব্যৱহাৰ কৰিবলৈ ধৰিলে আৰু লগে লগে পিন্ধা উৰাৰ ধৰণবো পৰিবৰ্ত্তন হল। ই শিষ্টতাৰেই নিদৰ্শন বুলি কব পাৰি।

শালীনতাবোধৰ কাৰণেই মানুহে নিজকে সজাই পৰাই ৰাখে, দুৱাৰ খিৰিকিত পৰ্দ্দা লগায়, মেজত 'টেবুল ক্লথ' আৰু বিছনাৰ ওপৰত 'বেদকোভাৰ' পাৰে। বিবাহিতা মহিলাই শিষ্টতাবোধৰ কাৰণে খোপাৰ ওপৰলৈকে ওৰণি লয়, কপালত ফোট লয়। শালীনতাবোধৰ কাৰণেই লৰা-ছোৱালীয়ে স্কুললৈ যাওঁতে কিতাপ নিবলৈ নানা ধৰণৰ বেগ, বয়স্ক পুৰুষ সকলে পোৰ্টফ'লিও আৰু মহিলা সকলে ভেনিটি বেগ ব্যৱহাৰ কৰে। মাইকী মানুহৰ চুলি কটা কাৰ্য্যও এই বোধেৰেই সঞ্চালিত। 'এইদৰে আমাৰ জীৱনৰ বহু ক্ষেত্ৰতে শালীনতাবোধৰ পৰিচয় পোৱা যায়।

ফেশ্যনে কাক আকৰ্ষণ কৰে ?

ফেশ্যনৰ নতুনত্বই চেঙেলীয়া মনক তুৰন্তে জয় কৰে। অল্প বয়স্ক সকলে ফেশ্যনৰ মোহজালত সহজে বন্দী হয়। ফেশ্যন ডেকা-গাভৰুৰ আত্ম বিনোদনৰ প্ৰতীক। এই বিষয়ত বয়স্ক সকল ৰক্ষণশীল। ডেকা-গাভৰুৰ শাৰীৰিক আৰু মানসিক পৰিবৰ্ত্তনৰ লগে লগে সামাজিক মনোভাৱ বা দৃষ্টি-ভঙ্গীৰো ক্ৰমান্বয়ে পৰিবৰ্ত্তন হয়। তেওঁলোকৰ জীৱনত নানা ধৰণৰ সামাজিক আৰু সাংস্কৃতিক ঢৌৱে ন ন লহৰ সঞ্চাৰ কৰে আৰু সেইকাৰণেই তেওঁলোক নতুনৰ মুখাপেক্ষী হৈ থাকে। নতুনৰ মাধুৰ্য্যই তেওঁলোকৰ মন আপ্যায়িত কৰে। সাদৃশ্য মনোভাৱৰ প্ৰভাবে তেওঁলোকৰ ওপৰত বৰকৈ

প্ৰভুত্ব কৰে আৰু যেতিয়াই কথাছবি, সাংস্কৃতিক অনুষ্ঠান, খেল প্ৰদৰ্শণী আৰু আন আন জনসমাৰোহৰ লগত তেওঁলোকে সংস্পৰ্শত আহে, তেতিয়াই তেওঁলোকে নতুন নতুন ফেশ্যনৰ আবিস্কাৰক সকলৰ লগত পৰিচয় হয় আৰু তেওঁলোকক অনুসৰণ কৰিবলৈ ধৰে। এইদৰে নতুন নতুন ফেশ্যন চাৰিওফালে বিয়পিবলৈ ধৰে। অল্প বয়স্ক সকল পৰিবৰ্ত্তন প্ৰিয় আৰু তেওঁলোকে ঘনাই পৰিবৰ্ত্তন অনাত কোনো দ্বিধা বোধ নকৰে। বয়স্ক সকলে কিন্তু সহজে পৰিবৰ্ত্তন নিবিচাৰে। তেওঁলোকে সমাজত কোনো ফেশ্যন বিয়পি পৰিলেহে ইয়াক গ্ৰহণ কৰে। যুবক যুবতী সকল নতুন নতুন ফেশ্যন গ্ৰহণত আগৰনুৱা। কিছুমান ক্ষেত্ৰত যুবতীসকলতকৈ যুবক সকলে ফেশ্যনৰ পৰিবৰ্ত্তন সঘনে আনে। কাৰণ যুবতী সকলে সমাজৰ সমালোচনাৰ সন্মুখীন হবলৈ টান পায় আৰু সেই কৰণে তেওঁলোকে লাহে লাহে পৰি-বৰ্ত্তনৰ প্ৰতি সহজে আৰু সোনকালে আকৰ্ষিত হয়। যি বিলাক ফেশ্যনৰ পৰিবৰ্ত্তনত সমালোচনাৰ সন্মুখীন হবলগা নহয়—সেই বিলাকৰ তেওঁলোকে সঘনে পৰিবৰ্ত্তন আনে। উদাসীন বা সহানুভূশীল সামাজিক পৰিবেশৰ সৃষ্টি নোহোৱা-লৈকে যুবতী সকলে শ্ৰেণী হিচাবে কোনো ফেশ্যন গ্ৰহণ নকৰে। যুবক সকলৰ কথা বেলেগ। তেওঁলোকে উন্মুক্ত ভাবেৰে যি কোনো ফেশ্যন গ্ৰহণ কৰে আৰু ফেশ্যন সম্বন্ধীয় সমাজ নিয়ন্ত্ৰণৰ বশীভূত হবলৈ ইচ্ছা নকৰে।

পুৰুষ সকলে মহিলা সকলৰ ফেশ্যন সমালোচনা কৰি প্ৰকাশ্যে বা অপ্ৰকাশ্যে আনন্দ পায়। মহিলা সকলক পুৰুষ সকলে অতীজৰে পৰা বহুক্ষেত্ৰত স্বাধীনতাৰ পৰা বঞ্চিত কৰি ৰাখি আহিছে। অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক ব্যৱস্থাৰ বাবেও স্ত্ৰী স্বাধীনতাই গা কৰি উঠিবলৈ পৰা নাছিল। নৈসৰ্গিক ফালৰ পৰা চালেও মহিলা সকল কিছু বাধাগ্ৰস্ত। গতিকে তেওঁলোকে পুৰুষৰ ইচ্ছা, অভিৰুচি আৰু নিয়ন্ত্ৰণ অনুসাৰে যুগ যুগ ধৰি অব্যক্ত ভাবে জীৱন যাপন কৰি আহিছে। কিন্তু বৰ্ত্তমান স্ত্ৰী-স্বাধীনতাৰ আন্দোলনে মহিলা সকলক আগুৱাই যাবলৈ সুবিধা দিছে। এইকাৰণে তেওঁলোকে বহু বিষয়ত পুৰুষৰ সমানে সমানে আসন পাইছে। এই সমতাৰ বাতাবৰণত মহিলা সকলে নিজ নিজ অভিৰুচিমতে ফেশ্যনৰ পৰিবৰ্ত্তন আনিবলৈ কুণ্ঠিত হোৱা নাই। কিন্তু পুৰুষ সকলে এইটো সহ্য কৰিবলৈ টান পাইছে অথচ প্ৰকাশ্যে একো বাধাও দিব নোৱাৰে। সেইকাৰণে মনত শান্তি লভিবলৈ পুৰুষ সকলে মহিলাৰ ফেশ্যনৰ তীব্ৰ সমালোচনা কৰে। এই অন্তৰ্দ্বন্দ এটা মানসিক প্ৰতিৰক্ষা প্ৰক্ৰিয়া।

য'ত সমাজ বান্ধোন কঠোৰ, তাত পুৰুষতকৈ মহিলা-সকল ৰক্ষণশীল। পুৰুষৰ মাজত ফেশ্যন বেছি গতিশীল বিশেষকৈ পোছাকত। অসমীয়া মহিলাই মেখেলা এৰি 'গাউন' ব্যৱহাৰ কৰা দেখা নেযায়। কিন্তু পুৰুষে ধুতি

এৰি ট্ৰাউজাৰ ব্যৱহাৰ কৰা দেখা গৈছে। মহিলা সকলে ব্লাউজৰ ব্যৱহাৰ এৰা নাই। কিন্তু পুৰুষ সকলে পাঞ্জাবী এৰি আমেৰিকান বা হাৱাইন চাৰ্টৰ ব্যৱহাৰ কৰিছে। এই বিষয়ত যদি ধৰ্ম্মৰ কথা সোঁৱৰা হয়, তেতিয়া দেখা যায় যে নতুনকৈ খৃষ্টান ধৰ্ম্ম অবলম্বন কৰা বিশেষকৈ এংলোইণ্ডিয়ান মহিলাসকলে পশ্চিমীয়া পোছাক গ্ৰহণ কৰিছে আৰু ভাৰতীয় পোছাক এৰিয়েই দিছে। কিন্তু খৃষ্টান ধৰ্ম্ম গ্ৰহণ কৰাৰ পিচতে ভাৰতীয় মহিলাসকলে নিজৰ পোছাকেই ব্যৱহাৰ কৰা দেখা যায়। বঙ্গদেশত বঙালী খৃষ্টান মহিলাই শাৰী আৰু অসমত অসমীয়া খৃষ্টান মহিলাই মেখেলা ব্যৱহাৰ কৰে। পৰ্ব্বতীয়া খৃষ্টান মহিলা সকলেও নিজৰ পোছাক এৰি দিয়া নাই।

সাংস্কৃতিক সংঘাটত উচ্চ সংস্কৃতিৰ ফেশ্যনে নিম্ন সংস্কৃতিৰ ওপৰত আধিপত্য বিস্তাৰ কৰে। এংলোইণ্ডিয়ান সকলৰ ওপৰত পশ্চিমীয়া সংস্কৃতিৰ বেচিকৈ প্ৰভাব পৰিছে। নগৰৰ সংস্কৃতিৰ ধাৰা গাৱঁলৈ বিয়পি যায়। সেইকাৰণে ফেশ্যনৰ ক্ষেত্ৰত সংস্কৃতিয়ে ধৰ্ম্মতকৈ মানুহৰ ওপৰত বেচিকৈ প্ৰভাব পেলায়।

ফেশ্যনে সকলোৰে ওপৰত সমানে প্ৰভাব বিস্তাৰ কৰিব নোৱাৰে। গোড়া ধাৰ্ম্মীক লোক, সমাজ সেৱক, অগাধ পণ্ডিত, চিন্তাশীল ব্যক্তি বয়স্কলোক আদিক ফেশ্যনে সহজে মুগ্ধ কৰিব নোৱাৰে। স্কুল, কলেজ, চিনেমাঘৰ, উৎসব ঘৰ বা খেল-

পথাৰ, ক্লাব, দোকান, বজাৰ আদি ফেশ্যনৰ জন্মস্থান আৰু ফেশ্যনপ্ৰিয় সকলৰ তীৰ্থস্থান।

ফেশ্যন সংক্ৰামক ঃ—ফেশ্যন সংক্ৰামকো। এজনে কিবা এটা ফেশ্যনৰ ধৰণ বাহিৰ কৰিলে আনবিলাকে বিশেষকৈ ডেকা গাভৰুসকলে ততালিকে তাক অনুসৰণ কৰে। চিগা-ৰেটৰ ধোঁৱাৰ বৃত্তাকাৰ কৰা, ছোৱালীবিলাকে ডাঙৰৰ নিচিনা চুলি বন্ধা কাৰ্য্য এই সক্ৰামকতাৰে ফল স্বৰূপ। আজি কালি থুতৰিত ডাঢ়ি ৰখাটো এটা ফেশ্যন হৈ পৰিছে। সেইদৰে বাওঁহাতৰ পৰিবৰ্ত্তে সোঁহাতত ঘড়ী পিন্ধাৰ প্ৰচলন হৈছে। সাহিত্যত আধুনিক ভাবৰ প্ৰতিপত্তি বেছি। আধুনিক কবিতা আৰু কামভাবাপন্ন সাহিত্যই ডেকা গাভৰুক সহজে আপ্যায়িত কৰে। গীতত ৰক্-এণ্ড-ৰোলৰ প্ৰভাৱ ক্ৰমান্বে বাঢ়িছে। খেলা-ধূলাৰ প্ৰতিযোগিতাই সমাজক উৎবাউল কৰি তুলিছে। সংস্কৃতি সমাৰোহত মানুহৰ ক্ৰমান্বয়ে আকৰ্ষণ বাঢ়িছে। এই আটাইবিলাকৰে মূল্যাঙ্কণ আমি নিবিচাৰো। ই এটা সামাজিক প্ৰবাহ। এই প্ৰবাহে সকলোকে স্পৰ্শ কৰিছে।

আভিজাত্য আৰু ফেশ্যন ঃ—আভিজাত্যৰ মান ৰক্ষা কৰিবলৈ আৰু শ্ৰেণী সচেতন মনোবৃত্তিক পোষণ কৰিবলৈ কিছুমানে ৰং-বিৰঙৰ ল্যবান আৰু দুৰ্লভ বস্তু ব্যৱহাৰ

কৰে। আগৰ দিনত এই দৃষ্টি আকৰ্ষণকাৰী উপভোগৰ বৰ বেছি প্ৰভাব আছিল কাৰণ তেতিয়া ৰজা, মহাৰজা, জমিদাৰ, সদাগৰ আদিৰ আধিপত্য আছিল আৰু তেওঁলোকে লাহ-বিলাহত বিভোৰ হৈ নানা ফেশ্যনৰ প্ৰৱৰ্ত্তন কৰিছিল। বৈজ্ঞানিক আৰু উদ্যোগ প্ৰগতিৰ লগে লগে বজাৰত নানা ধৰণৰ সস্তীয়া বস্তু উপচি পৰিল আৰু সেইবাবে সৰ্ব্ব-সাধাৰণ মানুহেও অভিজাত শ্ৰেণীৰ ফেশ্যন অনুকৰণ কৰিবলৈ সুবিধা পালে। আনহাতে অভিজাত শ্ৰেণীয়ে ঘনাই ফেশ্যনৰ পৰিবৰ্ত্তন আনিবলৈ বিচাৰে যাতে তেওঁলোকে সাধাৰণ মানুহৰ লগত প্ৰভেদ অনুভৱ কৰিব পাৰে। এই মনোভাৱ লৈয়েই আজিকালি উচ্চ খাপৰ মহিলা সকলে অনুৰূপ ৰঙৰ পোছাক, সাজ-সজ্জা আৰু অলঙ্কাৰ পাতি ব্যৱহাৰ কৰে। তেওঁলোকে একে ৰঙৰ জুতা, শাৰী বা মেখেলা, চাদৰ, ব্লাউজ, অলঙ্কাৰ, ঘড়ীৰ বেণ্ড, ভেনিটি বেগ আদি ব্যৱহাৰ কৰে আৰু আভিজাত্যৰ মান ৰক্ষা কৰি গৌৰৱ অনুভৱ কৰে। এই আচৰণ এটা দৃষ্টি-আকৰ্ষণকাৰী উপভোগ, বা আধুনিক প্ৰবাহৰ প্ৰদৰ্শন।

জাতীয় ঐতিহ্য আৰু ফেশ্যন ঃ—জাতীয় ঐতিহ্য ৰক্ষা কৰিবলৈকো কোনো কোনো ফেশ্যনৰ সদায় প্ৰচলন হৈ থাকে। অসমীয়া মহিলাৰ ৰিহা-মেখেলাৰ ব্যৱহাৰ জাতীয় ঐতিহ্য ৰক্ষা কৰাৰ এটি নিদৰ্শন। ইয়াৰ ওপৰতেই বহুতে

বিশেষ গুৰুত্ব আৰোপ কৰে। সেইদৰে ফুলাম গামোছাও অসমীয়া জাতীয় ঐতিহ্য ৰক্ষা-কবচ বুলি পৰিগণিত হৈছে। সেইদৰে বঙালীয়ে শাৰীৰ মৰ্য্যদা ৰক্ষা কৰিবলৈ অহোপুৰুষাৰ্থ কৰে। জাতীয় চৰিত্ৰ বা ঐতিহ্য মহিলা সকলে ৰক্ষা কৰিব লাগে—এনে এটা ভাব পুৰুষ সকলৰ মাজত ব্যাপ্ত হৈ আছে। পুৰুষসকলে তেওঁলোকৰ পৰা বিচাৰে নম্ৰতা, ভদ্ৰতা, শালীনতা, সচ্চৰিত্ৰতা, পবিত্ৰতা আৰু সংযম; আৰু আশা কৰে যেন তেওঁলোক সদায় লাজকুৰীয়া আৰু বিনয়ী হয়। পুৰুষৰ ইচ্ছানুযায়ী যেন তেওঁলোক স্থিতিস্থাপক (elastic) হব লাগে। গতিকে মহিলাসকলে পুৰুষৰ সন্তুষ্টিৰ বাবে স্বভাৱসুলভ স্বচ্ছন্দতাৰ নিয়ন্ত্ৰণ কৰিব লগা হয়। মহিলা সকলৰ সাজপাৰৰ পৰিবৰ্ত্তনতো পুৰুষৰ অসহ্য বোধ হয। জাতীয়তাৰ দোহাই দি মহিলাসকলক মেখেলা-চাদৰ নেৰিবলৈ সদায় নিৰ্দ্দেশ দি থকা হয়। কিন্তু পুৰুষৰ কোট পেণ্ট ব্যৱহাৰ কৰাত যেন জাতীয়তা ক্ষুণ্ণ নহয়। এনে মনোবৃত্তিৰে মহিলা সকলক সমালোচনা কৰোতে কেতিয়াবা কেতিয়াবা কোনো কোনো ভদ্ৰলোকে ভদ্ৰমহিলাৰ পৰা কড়া জবাবৰ সন্মুখীন হব লগা হয়। এদিনাখন মহিলা এগৰাকীয়ে শাৰী পিন্ধি গৈ থাকোতে কোট পেণ্ট পিন্ধা ভদ্ৰলোক এজনে মন্তব্য কৰিছিল—"আজি কালি আমাৰ মহিলা সকল নষ্ট পালে—শাৰী পিন্ধাত লাগিল।" ভদ্ৰলোকজনে কথাখিনি কবলৈহে পালে মহিলা

গৰাকীয়ে প্ৰত্যুত্তৰত কলে "আপোনালোকে জনা উচিত যে এইটো ভাৰতীয় পোছাক" এই বুলি কৈ গুছি গ'ল। চুঙা চাই সোপা, গতিকে তেওঁ নিমাত হৈ থাকিল।

গাওঁ, নগৰ আৰু ফেশ্যন ঃ—গাওঁত ফেশ্যন ৰক্ষণশীল। গাওঁত কম সংখ্যক লোক বাস কৰে আৰু সেই কাৰণে ইজনে সিজনৰ লগত ঘনিষ্ঠ ভাবে পৰিচিত। গাওঁত যেতিয়া নতুন ফেশ্যনৰ সূচনা হয় তেতিয়া সামূহিক অনুমোদন দৰ্কাৰ হয়। নহলে নতুন ফেশ্যন তিষ্ঠিব নোৱাৰে; কাৰণ গাওঁত ব্যক্তিত্বৰ ওপৰত সমূহৰ প্ৰতিপত্তি বৰ বেছি। অৱশ্যে আগতকৈ এই প্ৰতিপত্তিৰ মাত্ৰা লাহে লাহে কমি আহিছে। সেইদৰে সমাজনীতিয়ো গাওঁত কটকটীয়া। ফেশ্যন সন্দৰ্ভত গাওঁত কোনো গাভৰু বা মহিলাৰ নম্ৰতা আৰু সাধুতাৰ মান তুচ্ছ হলে সেই ফেশ্যনক কেতিয়াও প্ৰশ্ৰয় দিয়া নহয়।

নগৰৰ কথা ভিন্ন। নগৰত বহু মানুহ ভিন ভিন ঠাইৰ পৰা আহি একেলগে বাস কৰে। প্ৰত্যেকেই নিজৰ নিজৰ কামত বা স্বাৰ্থ সিদ্ধিত ব্যস্ত। ওচৰচুবুৰীয়া বা সমূহীয়া ভাব গাওঁতকৈ নগৰত তেনেই কম। ইয়াত ব্যক্তিগত স্বাতন্ত্ৰ্য-ভাবৰ প্ৰভাব বৰ বেছি; ব্যক্তিগত আচৰণ নিয়ন্ত্ৰণৰ ওপৰত সমূহৰ হাত নাই আৰু সেই কাৰণেই ব্যক্তিয়ে স্বেচ্ছা-চাৰিতাৰ বশীভূত হৈ সমাজৰ ক্ষতি সাধন কৰিলেও প্ৰত্যক্ষ ভাবে কোনেও ব্যক্তিৰ ওপৰত কোনো কঠোৰ ব্যৱস্থা লব

নোৱাৰে। গতিকে অসাধুতা, অশ্লীলতাই নগৰত প্ৰাধান্য লাভ কৰে। নগৰত আপোচ মীমাংসাৰ বাবে আদালতৰ বাহিৰে গাওঁসভা বা পঞ্চায়ত নেথাকে আৰু সেই কাৰণেই কোনো মানুহে দোষণীয় কাম কৰিলেও সমূহীয়া বিচাৰৰ সন্মুখীন হ্‌ব লগা নহয়। সমাজ নীতি হিচাবে নগৰত কোনো বন্ধাধৰা নীতি নাই। নানা ঠাইৰ পৰা ভিন্ন ভিন্ন লোক আহি বাস কৰে—কিছুমানে স্থায়ী হিচাবে, কিছুমানে অস্থায়ী হিচাবে। ইয়াত স্থায়ী সমূহীয়া সামাজিক অনুষ্ঠান সহজে গঢ়ি নুঠে। ইয়াৰ ফলত ব্যক্তিয়ে সমাজ বান্ধোনৰ পৰা মুক্ত অৱস্থাত বাস কৰে। সেই কাৰণে নগৰত ফেশ্যনে মুক্তভাবে প্ৰচলিত হবলৈ সুবিধা পায়। ৰাংঢালী ৰচকীৰ অশ্লীলতাসিক্ত ফেশ্যনৰ নিয়ন্ত্ৰণ কৰিবলৈ ইয়াত কোনো সমাজ নাই—যাৰ যথোচিত ব্যৱস্থাৰ কাৰণে ফেশ্যন সংযত হ্‌ব পাৰে।

ফেশ্যন কেন্দ্ৰ আৰু তাৰ বিস্তাৰ ঃ—ফেশ্যনৰ উৎপত্তি স্থান হ'ল সাধাৰণতে নগৰ, নগৰ কৃষ্টি কেন্দ্ৰ আৰু উদ্যোগ কেন্দ্ৰ সমূহ। এই কেন্দ্ৰ সমূহতেই নেতৃস্থানীয় লোকসকল থাকে আৰু তাতেই ফেশ্যনৰ জন্ম হয় আৰু তাৰ পৰাই ফেশ্যন চাৰিওফালে বিয়পি পৰে। পুখুৰীৰ মাজত শিল এটা দলিয়ালে মাজঠাইৰ পৰা চাৰিওফালে বৃত্তাকাৰ ঢৌৱে যেনেকৈ কাষলৈ বিয়পি যায় আৰু তাৰ গতিশক্তি যেনেকৈ

অনুক্রমে কমি যায়. ঠিক তেনেকৈ ফেশ্যনেও তাৰ উৎপত্তি স্থানৰ পৰা ক্রমিক মন্থৰ গতিত দূৰ দেশলৈ বিয়পি যায়। কেন্দ্র সমূহত ফেশ্যনৰ পৰিবৰ্ত্তন সঘনে হয় আৰু সেই কাৰণে দূৰত ফেশ্যনৰ মাধ্যমিক অৱস্থা কেতবোৰ দেখিবলৈ পোৱা নেযায়।

ফেশ্যনে উজু পথ বিচাৰে ঃ—মানুহে কৰ্ম্মক্ষেত্ৰত যেনেকৈ উজু উপায় বিচাৰি ফুৰে ফেশ্যনেও সেইদৰে উজু পথৰ আশ্ৰয় লয়। আজিকালি সকলো ক্ষেত্ৰতে উজু উপায়ৰ সন্ধান পোৱা যায়। ভাষা. সাহিত্য আৰু দৈনন্দিন জীৱনত ব্যৱহৃত প্ৰায় সকলো বস্তুৰ ফেশ্যন সলনি হৈছে আৰু উজু পথৰ আশ্ৰয় লোৱা দেখা গৈছে। পুৰণি সাহিত্যত বাক্যৰ জটিলতা আৰু বিস্তৃতিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছিল। আজিকালি বাক্যৰ বিস্তৃতি কমি আহিছে আৰু কম কথাৰে গভীৰ ভাব প্ৰকাশ কৰাতো এটা ফেশ্যন হৈ পৰিছে। চুটি চুটি আৰু সৰল বাক্যৰ প্ৰচলন ক্ৰমে বাঢ়িছে। আনকি কিছুমান শব্দৰো বিস্তৃতি কমাই অনা হৈছে। আমেৰিকাত আজিকালি Though ৰ সলনি Tho, Through ৰ সলনি Thru আদিৰ ব্যৱহাৰ হবলৈ ধৰিছে। সেইদৰে ঘৰ, মটৰগাড়ী, সাজ সৰঞ্জাম আৰু আন আন ব্যৱহৃত বস্তুৰ কাৰুকাৰ্য্য ক্ৰমান্বয়ে কমি আহিছে। বাণিজ্যৰ প্ৰগতিৰ লগে লগে বস্তুৰ কাৰুকাৰ্য্যৰ ওপৰত সমানুপাতে গুৰুত্ব দিয়া হোৱা

নাই। কম সময়ৰ ভিতৰত লাগতিয়াল বস্তু সমূহ কেনেকৈ তৈয়াৰ হয় আৰু কেনেকৈ সস্তাত বিক্রি কৰিব পাৰি তাৰ বাবেহে চেষ্টা কৰা হৈছে। এতিয়া সকলো ক্ষেত্ৰতে সৰল ৰূপাঙ্কণৰ ফালে মনোনিবেশ কৰা হৈছে।

কার্য্যক্ষেত্ৰ আৰু ফেশ্যন ঃ—কাৰ্যক্ষেত্ৰ অনুসাৰে মানুহৰ সাজপাৰ বেলেগ বেলেগ হোৱা দেখা যায়। আইন ব্যৱসায়ী, নার্চ, বনুৱা, গঠনমূলক কৰ্ম্মী, জাতীয়তাবাদী, স্কাউট, সৈনিক, আদিয়ে কাম অনুসাৰে বেলেগ বেলেগ সাজপাৰ ব্যৱহাৰ কৰে। এওঁলোকৰ সাজপাৰৰ পৰিবৰ্ত্তন নহয়, পৰিবৰ্ত্তন হলেও বিশেষ নিয়মৰ :জৰিয়তেহে হব পাৰে।

মাইকী মানুহে ঘৰুৱা কামৰ সময়ত লেতেৰা পোছাক পিন্ধে আৰু তেওঁৰ মনত ভাব হয়, তেওঁ যেন পৰিচাৰিকাৰ হে কাম কৰিছে। কিন্তু যেতিয়া তেওঁ আবেলি বা গধূলি ফুৰিবলৈ ওলায় তেতিয়া তেওঁৰ মনৰ অৱস্থাৰ পৰিবৰ্ত্তন হয় আৰু নতুন ৰূপত নিজকে বেলেগ বুলি অনুভৱ কৰে। সেইদৰে কাৰখানাত কামকৰা পুৰুষ বা মাইকী মানুহবো মান বাহিৰত বেলেগ হৈ পৰে। তেতিয়া তেওঁলোকৰ পোছাকৰ আনৰ লগত একো অমিল দেখা নাযায়।

কোনো কোনো অফিচত চতুৰ্থ শ্ৰেণীৰ লোকৰ পোছাকৰ পাৰ্থক্য আছে। তেওঁলোকৰ পোছাকৰ পৰাই তেওঁলোকৰ

মান ওলাই পৰে। কিন্তু কিছুমান অফিচত চতুৰ্থ শ্ৰেণীৰ লোকে বিশেষ পোছাক পৰিধান নকৰে; গতিকে বহু সময়ত পোছাকৰ পৰা তেওঁলোকৰ কামৰ মান বুজিব নোৱাৰি। চৰকাৰে চতুৰ্থ শ্ৰেণীৰ লোকসকলক খাদি কাপোৰৰ পোছাক দিয়া কাৰণে প্ৰথমতে অফিচাৰ বিলাকৰ অলপ মস্কিলেই হৈছিল। কাৰণ কংগ্ৰেছী নেতাৰ লগত পোছাকত তেওঁলোকৰ কোনো প্ৰভেদ দেখা নগৈছিল। সেইকাৰণে কেতিয়াবা কেতিয়াবা কংগ্ৰেছী নেতা বুলি ভুলকৈ আদৰণি জনোৱা হৈছিল। আনকি কংগ্ৰেছী নেতায়ো ভুলতে সহকৰ্ম্মী বুলি সম্ভাষণ জনাইছিল। এতিয়া অৱশ্যে সেই ভুলৰ সম্ভাৱনা কমি আহিছে।

কিছুমান বিশেষ কাৰ্য্যক্ষেত্ৰৰ বাহিৰে আজি কালি পোছাকৰ পৰা কোনে কি কাম কৰে অনুমান কৰিব নোৱাৰি। পোছাকৰ পৰিপাটি আৰু মুখৰ চেহেৰা নিপোটল হলে সাধাৰণ কামকৰা মানুহকো উচ্চ কৰ্ম্মচাৰী যেন লাগে। এবাৰ এজন নেতৃস্থানীয় লোকে এটা অফিচলৈ গৈ তাত কাম কৰা মানুহ এজনক লগ পাই একে লগে বহি বহু-সময় কটালে আৰু চিগাৰেটৰো আদান প্ৰদান কৰিলে। কাৰণ সেইসময়ত উচ্চ পদস্থ লোকজন, যাক তেওঁ বিচাৰি গৈছিল, অফিচত নাছিল। ভদ্ৰলোকে পিছতহে জানিলে যে সেইজন ৪ৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী। ভদ্ৰলোকজনে চিজৰছ চিগাৰেট যাচিছিল কিন্তু আনজনে যাচিছিল কেপষ্টান চিগাৰেট।

গতিকে চাল চলনত নিম্ন পদস্থ কৰ্ম্মীয়ো আজি কালি আনৰ লগত সমানে সমানে ফেৰ মাৰিছে।

স্বাস্থ্য আৰু ফেশ্যন ঃ— কোনো কোনো ফেশ্যনৰ প্ৰবৰ্ত্তনত স্বাস্থ্যৰ হানি হোৱাও দেখা যায়। দুৱাৰ, খিৰিকিত পৰ্দ্দাৰ ব্যৱহাৰে নিৰ্ম্মল বায়ুৰ চলাচল বন্ধ কৰে। ময়লাযুক্ত কাৰ্পেটৰ কাৰণে কেতিয়াবা বেমাৰৰ সম্মুখীন হ্ব লগাত পৰে। অৱশ্যে পৰ্দ্দা আৰু কাৰ্পেটৰ সৎ ব্যৱহাৰ কৰিলে বিশেষ ক্ষতি নহব পাৰে। আজিকালি বহুতেই ওঁঠত ৰং ঘঁহে, আনকি খোৱা বস্তুতো ৰং দি নিজকে আপ্যায়িত কৰে। তাৰ পৰা কেতিয়াবা কেতিয়াবা স্বাস্থ্য ক্ষুন্ন হোৱা শুনা যায়। ঘৰৰ পৰা বাহিৰ হবলৈ বিশেষকৈ ডেকা গাভৰু আৰু মাইকী মানুহে স্নো, পাউদাৰ আৰু নানা প্ৰসাধন ব্যৱহাৰ কৰে, তাৰ পৰা স্বাস্থ্যৰ বিশেষ উন্নতি নহয় বৰং তাত খৰচ হোৱা পয়চাৰে পুষ্টিকৰ আহাৰ খালে স্বাস্থ্যৰ উন্নতিহে হ'লহেতেন। ধুমপান আৰু মদপান কৰাও কিছুমানৰ ক্ষেত্ৰত ফেশ্যন হৈ পৰিছে। ইয়াৰ পৰাও সমাজৰ ক্ষতি হৈছে।

জলবায়ু আৰু ফেশ্যন ঃ— জলবায়ুৰ লগতো ফেশ্যনৰ সম্বন্ধ আছে। ঠাণ্ডা জলবায়ুৰ মাজত থাকিলে লজ্জা নিবাৰণৰ উপৰিও ঠাণ্ডাৰ পৰা নিজকে ৰক্ষা কৰিবলৈ গৰম কাপোৰ

ব্যৱহাৰ কৰা হয়। গৰম দেশত কেৱল লজ্জা নিবাৰণৰ বাবে কাপোৰ ব্যবহাৰ হয়। এই নিয়ম পুৰণি কালৰ সমাজতহে সীমাবদ্ধ আছিল। সভ্যতাৰ প্ৰগতিৰ লগে লগে সাজপাৰৰ ওপৰত বিশেষকৈ মনোনিবেশ কৰা হল আৰু এতিয়া জলবায়ু ভেদৰ হেতুৰ পাৰ হৈ অনুৰূপ ফেশ্যন নানা দেশত প্ৰবৰ্ত্তিত হ'ল। তথাপি গৰম আৰু ঠাণ্ডা দেশৰ সাজপাৰৰ তাৰতম্য এতিয়াও বৰ্ত্তমান।

যুগে যুগে সময়ে সময়ে ফেশ্যনৰ পৰিবৰ্ত্তন হৈ থাকিব ঃ—সভ্যতাৰ প্ৰগতিৰ লগে লগে ফেশ্যনৰো পৰিবৰ্ত্তন হৈ থাকিব। এই পৰিবৰ্ত্তন মানুহৰ ক্ৰমোন্নতিৰ লগত জড়িত নহয়। দেশৰ বা সমাজৰ ক্ৰমোন্নতি মানুহৰ চেষ্টাৰ ফলত হব পাৰে কিন্তু পৰিবৰ্ত্তিত ফেশ্যন সভ্যতাৰ প্ৰগতিৰ মাপকাঠি নহয়। ইয়াৰ পৰা অধোগতিও হব পাৰে। ফেশ্যনৰ পৰিবৰ্ত্তন মানুহৰ মনোগতিৰ লগত অবিচ্ছেদ্য ভাবে জড়িত। ফেশ্যনৰ কোনো দৰ্শন নাই। ফলাফলৰ ওপৰত ই বিশেষ গুৰুত্ব নিদিয়ে। স্বাভাবিক মনৰ আনন্দই ইয়াৰ আধাৰ। যিয়ে যেনেকৈ মনত আনন্দ পায় সি তেনেকৈ ফেশ্যনৰ প্ৰবৰ্ত্তন কৰে। আগতে বিবাহ উপলক্ষে খাৱবাৰুদৰ ধুমধাম প্ৰচলন হৈছিল। এতিয়া ইয়াৰ ব্যৱহাৰ কমি গৈছে। আগতে বিয়া নিমন্ত্ৰণত চিঠি পত্ৰৰ প্ৰচলন নাছিল; তামোল পানেৰেই নিমন্ত্ৰণ জনোৱা হৈছিল। আজিকালি তামোল

পানৰ ব্যৱহাৰ ক্ৰমান্বয়ে কমি আহিছে আৰু নানা ধৰণৰ বিয়া চিঠিৰ প্ৰচলন হ্বলৈ ধৰিছে। আগতে হাতী, ঘোঁৰা, ডোলা, আদি দৰাৰ বাহন হিচাপে ব্যৱহৃত হৈছিল কিন্তু এতিয়া সেইবোৰৰ প্ৰচলন উঠি গৈ যন্ত্ৰ পৰিচালিত গাড়ী ব্যৱহাৰ হয়। বিয়াৰ সময়ত দৰা আৰু কইনাৰ ঘৰত আগতে ঢোল, খোল, মৃদঙ্গ আদিৰ ব্যৱহাৰ হৈছিল—কালক্ৰমত বেণ্ডপাৰ্টিৰ প্ৰচলন হ'ল—এতিয়া আকৌ পুৰণি কলীয়া ঢোলৰ ব্যবহাৰ হবলৈ ধৰিছে। কিছুমান বিয়াত মাইকো বজাবলৈ ধৰিছে। দুই এবছৰৰ আগতে মাইকৰ প্ৰচলন বৰ বেছিকৈ চলিলে। নগৰতকৈ গাৱঁত ইয়াৰ প্ৰভাব বৰ বেছিকৈ পৰিছিল।

আগতে বিবাহিতা মহিলাই ওৰণিৰে মুখমণ্ডল ঢাকি লৈছিল কিন্তু এতিয়া বিশেষকৈ নগৰত ওৰণি খোপাৰ ওপৰতে থাকে। সৰ্ব্বাধুনিক ফেশ্বনৰ মোহজালত বন্দী হোৱা সকলে ওৰণিৰ ব্যৱহাৰ এৰিয়েই দিছে।

উৎসব পালন প্ৰথাৰ ক্ৰমান্বয়ে পৰিবৰ্ত্তন হৈ আহিছে। আগতে গাওঁৰ সকলোৱে মিলিজুলি কিছু উৎসব পালন কৰিছিল। প্ৰায় প্ৰত্যেকেই উৎসবত সক্ৰিয়ভাবে যোগদান দিছিল আৰু আনন্দত বিভোৰ হৈ পৰিছিল। আজিকালিৰ উৎসবত সক্ৰিয়ভাবে যোগদান দিয়া মানুহৰ সংখ্যা তেনেই কম। বেলেগ বেলেগ কৃষ্টি দলৰ সমাৰোহ হয় এক বিশেষ মঞ্চত আৰু বাকীবোৰে চাই চাই আনন্দ লাভ কৰে।

এই উৎসব বোৰত কেৱল নিষ্ক্রিয় আনন্দ উপভোগৰ উমান পোৱা যায়। তাত আশ্বাস আলোড়নৰ গভীৰতা তেনেই কম। বহুতেই দূৰৰ পৰাই চক্ষুতুষ্টিৰ নিশ্বাস পেলাই আঁতৰি যায়।

সেইদৰে আজিকালি পূজা আদিতো মানুহৰ গাম্ভীৰ্য্য তেনেই কম। এতিয়াৰ পূজাত বাহ্যিক আড়ম্বৰৰ ওপৰত বেছিকৈ গুৰুত্ব আৰোপ কৰা হয়। আধ্যাত্মিকতা নাম মাত্ৰ। বিশ্বকৰ্ম্মা পূজা, দুৰ্গা পূজা, সৰস্বতী পূজা আদিত দেৱদেবীৰ আৰাধনাতকৈ উশৃঙ্খলাৰ আৰাধনাই বেচি হয়। ষোড়শোপচাৰতকৈ যেন 'মাইক' আৰু 'লড়ী'ৰ আদৰ বেচি। নৈবেদ্যৰ কাৰণে কিবা বস্তু নেপালেও কোনো কথা নাই, কিন্তু 'মাইক' আৰু 'লড়ী' নহলে যেন পূজাৰ একো অৰ্থই নাই। এই কৃত্রিম প্রবৃত্তি ক্ষিপ্ততাৰ (নিদৰ্শন মাত্র।

সভ্যতাৰ ক্রমোন্নতিৰ লগে লগে ড্রইং ৰুমৰো সৃষ্টি হৈছে। আগৰ দিনত বাটচৰাৰ প্ৰচলন আছিল—আলহী অতিথিক স্বাগতম জনাবলৈ বা অভ্যৰ্থনা কৰিবলৈ। তাত কোনো জাক জমকতা নাছিল; সাধাৰণ হিচাবে চকি বেঞ্চ আদিৰ ব্যৱহাৰ হৈছিল কিন্তু আধুনিক সভ্যতাৰ প্রভাবত আজিকালি প্রত্যেকৰে ড্রইং ৰুমৰ দৰ্কাৰ হৈ পৰিছে। তাত মানুহৰ মান অনুযায়ী নানা ধৰণৰ চৌখীন বস্তুৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। বহুতৰে ড্রইং ৰুমত সাধাৰণ চকি বেঞ্চৰ ঠাইত চফাচেটৰ প্ৰচলন হৈছে, খালি মজিয়া নানা ডিজাইন খচিত কাৰ্পেটেৰে আবৃত হৈছে। আগৰ দিনত

ঘৰৰ খিৰিকি বা দুৱাৰত পৰ্দ্দাৰ ব্যৱহাৰ নাছিল ; এতিয়া তাত ধুনীনা ধুনীয়া পৰ্দ্দাৰ ব্যৱহাৰ হৈছে ।

আজিকালি ঘৰবাৰীৰো ফেশ্বন বেলেগ বেলেগ হবলৈ ধৰিছে । অসমত সাধাৰণতে খেৰ, বাঁহ, টিন আৰু কাঠেৰে সজা ঘৰ ব্যৱহৃত হৈছিল ; এতিয়া দালানৰ ফালে মানুহৰ মন ঢাল খাইছে । 'অসম টাইপ' ঘৰৰো ফেশ্বন বেলেগ হৈ পৰিছে । মানুহৰ মন এতিয়া শালীনতাৰ ফালে অগ্রসৰ হৈছে । সেইদৰে আন আন ক্ষেত্ৰতো মানুহে শালীনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে । আগৰ দিনত মানুহে মাটিতে ভাত খাইছিল আৰু এতিয়াও বেছিভাগ মানুহেই তেনেকৈ খায় ; ভাত খোৱা কাৰ্য্য পাকঘৰতেই সম্পাদন কৰিছিল । কিন্তু উন্নত স্তৰত এতিয়া ডাইনিং টেবুল নহলে নচলে ; ৰন্ধাঘৰ বেলেগ, খোৱা ঠাই বেলেগ ।

সেইদৰে দৈনন্দিন জীৱনত ব্যৱহৃত বহুত বস্তুৰেই আকাৰৰ পৰিবৰ্ত্তন হবলৈ ধৰিছে । মানুহৰ মন আকৰ্ষণ কৰিবলৈ নানা ধৰণৰ ডিজাইনখচিত বস্তু উলিয়াই বজাৰ তৈয়াৰ কৰিছে । প্লাষ্টিকৰ ব্যৱহাৰিক বিস্তৃতিয়ে মানুহৰ মন উতলা কৰিছে । আনকি স্বভাৱসুলভ ফুলৰ সৌন্দৰ্য্যতো প্লাষ্টিকৰ আক্ৰমণ চলিছে ।

ফেশ্বনৰ বেগবৃদ্ধিত মানুহ ক্ৰমান্বয়ে জুৰুলা হব ধৰিছে । ফেশ্বনৰ বেগবৃদ্ধি আৰু মানুহৰ আশা-আকাঙ্ক্ষাৰ মাজত সমন্বয় স্থাপন কৰিবলৈ টান হৈ পৰিছে । চাহিদা আৰু সামৰ্থ্যৰ

ভিতৰত ভাৰসাম্য অৱস্থা নেথাকিলে কোনো মানুহ সুস্থ অৱস্থাত্ জীৱন যাপন কৰিব নোৱাৰে ; তেতিয়া নানা ব্যক্তি-গত আৰু সামাজিক অস্থিৰতাৰ অৱতাৰণা হয়। এই অস্থিৰতাৰ বাবে ব্যক্তিগত জীৱনত নানান আহুকাল হয় ; কিন্তু এই আহুকাল আঁতৰ কৰিবলৈ হলে মানুহৰ সামৰ্থ্যৰ মান বৃদ্ধি কৰিব লাগিব। সামৰ্থ্যৰ মান বঢ়াবলৈ হলে মানুহৰ প্ৰত্যেকৰে আয়ৰ পৰিমাণ বাঢ়িব লাগিব। আয়ৰ পৰিমাণ বাঢ়িব তেতিয়াহে—যেতিয়া দেশ সমৃদ্ধিশালী হয়। কিন্তু দেশ সমৃদ্ধিশালী হলেও আৰু প্ৰত্যেকৰে আয়ৰ পৰিমাণ আৰু ক্ৰয় ক্ষমতা বাঢ়িলেও চাহিদাৰ জানো সীমা আছে ? মানুহৰ তৃষ্ণা বা কামনাৰ কেতিয়াও ওৰ নপৰে। তথাপি তৃষ্ণাৰ নিয়ন্ত্ৰণ হব পাৰে। এই নিয়ন্ত্ৰণ কোনে কৰিব আৰু কেনেকৈ হব, তাৰ বন্ধা ধৰা নিয়ম কৰিব পৰা নেযায়। ব্যক্তিগত চেষ্টা আৰু সামাজিক ভাবধাৰাৰ প্ৰভাৱত যি কোনো নিয়ন্ত্ৰণৰেই সম্ভৱ হব পাৰে। মহামহা পুৰুষৰ সৰল আৰু আড়ম্বৰহীন জীৱন যাপন কৰা অভ্যাস অৰ্থপূৰ্ণ। তেওঁলোকে মনৰ শান্ত অৱস্থা ফিৰাই আনে অশেষ যত্ন আৰু শ্ৰম কৰি। ইন্দ্ৰিয়সমূহৰ তেওঁলোক কেতিয়াও অধীন নহয় ; বৰং ইন্দ্ৰিয়সমূহহে তেওঁ-লোকৰ হাতৰ পুতলা হয়। গতিকে তেওঁলোকে সকলো তৃষ্ণাৰে নিয়ন্ত্ৰণ কৰিবলৈ সমৰ্থবান হয়। কিন্তু তৃষ্ণাৰ নিয়ন্ত্ৰণৰ বাবে যদি কোনো ব্যৱস্থা নেথাকে, তেতিয়া তৃষ্ণাই মানুহৰ ওপৰত প্ৰাধান্য লাভ কৰে আৰু মানুহৰ অস্তিত্বকে নোহোৱা

কৰি পেলায়। ফলত নানান বিভ্ৰাটৰ সৃষ্টি হয় আৰু অন্তৰ্দ্বন্দ্বৰো বীজ ৰোপন হয়। এই অন্তৰ্দ্বন্দ্ব সাধাৰণতে ব্যক্ত নহয়।

মানুহ স্বভাৱতে গণতন্ত্ৰভাৱাপন্ন। সকলোৱে সমানে সুবিধা লৈ জীৱন অতিবাহিত কৰিবলৈ বাঞ্ছা কৰে। অতীজত জীৱন ধাৰণৰ মান সৰল আছিল; আৰ্থিক আৰু সামাজিক ব্যৱস্থা আৰু সমূহীয়া জীৱনো সৰলতাৰ ওপৰত গঢ়ি উঠিছিল। সা-সুবিধাও প্ৰত্যেক ব্যক্তিয়ে প্ৰায় সমানে পাইছিল। তেতিয়াও দন্দ খৰিয়ালৰ প্ৰশ্ন আছিল। কিন্তু ই আজিকালিৰ নিচিনা ইমান অন্তস্পৰ্শী নাছিল। আজিকালিৰ অন্তৰ্দ্বন্দ্ব জটিল। আগৰ কালত অন্তৰ্দ্বন্দ্ব ক্ষণস্থায়ী আছিল আৰু ই বহুপৰিমাণে ব্যক্ত আছিল। এতিয়াৰ অন্তৰ্দ্বন্দ্ব—বিশেষকৈ শিক্ষিতৰ মাজত—অব্যক্ত। ইয়াৰ গভীৰতা বৰ বেছি। এই গভীৰতা জটিল অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থাৰ ফলপ্ৰসূত। অব্যক্ত অন্তৰ্দ্বন্দ্বক মষিমূৰ কৰা বৰ টান। ই মানুহৰ হাড়ে মগজুৱে শিপাই থাকে। ইয়াৰ শিপা উঘালিবলৈ দুঃসাধ্য যেন লাগে। আধুনিক সভ্যতাৰ বা শিক্ষাৰ পোহৰ নোপোৱা মানুহে দন্দ কৰে আৰু পিচ মুহূৰ্ত্ততে আপোষ মীমাংসাত আহে। শিক্ষিতৰ কোনোৱাই দন্দ কৰিলে পুনৰায় মীমাংসাত আহিবলৈ টান পায়। গাওঁৰ মানুহৰ আশা আকাঙ্ক্ষা নগৰৰ মানুহৰ আশা আকাঙ্ক্ষাৰ লগত তুলনা নহয়। নগৰৰ মানুহ—বিশেষকৈ শিক্ষিত

সকল সদায় অসন্তুষ্ট। তেওঁলোকৰ চাহিদাৰ অন্ত নাই। কিন্তু চাহিদা কেতিয়াও পূৰণ নহয়। তেওঁলোকৰ অন্তৰ্দ্বন্দৰ মীমাংসা হয় বেলেগ ধৰণে, নানা ৰকমৰ মানসিক প্ৰক্ৰিয়াৰ মাজেৰে। নগৰৰ বেছিভাগেই মাত কথাত স্পষ্ট নহয়। আনৰ নিন্দাত ৰত তাৰু নিজৰ স্বাৰ্থসিদ্ধিত ব্যস্ত থাকে। তেওঁলোকে কেতিয়াও খোলা হাঁহিৰে কথা পাতিব নোৱাৰে। হাঁহিতো যেন গোপনতা আছে। বেছিভাগ ক্ষেত্ৰতে উদাসীন উদাসীন ভাব। গতিকে অব্যক্ত অন্তৰ্দ্বন্দৰ পৰিণাম সমাজৰ প্ৰতি ক্ষতিকাৰক হয়। ফেশ্বনেও কেতিয়াবা কেতিয়াবা অব্যক্তা অন্তৰ্দ্বন্দৰ সৃষ্টি কৰে। কেতিয়াবা কোনো মহিলাই বহু মূল্যবান আৰু দুষ্প্ৰাপ্য বস্তু ব্যৱহাৰ কৰা দেখিলে, আন মহিলাসকলে অজ্ঞাতে তেওঁৰ প্ৰতি ঈৰ্ষাৰ ভাব পোষণ কৰে। সেই ভাব অব্যক্ত হিচাবে ৰৈ যায়। কিন্তু তেওঁলোকে তেওঁলোকৰ মানসিক ক্ষতিপূৰণৰ বাবে সুবিধা পালে সেই মহিলাৰ বদনাম ৰতি আনন্দ পায়।

ফেশ্বনৰ মোহজালে জগতৰ সকলোকে সাঙুৰি পেলাইছে। নতুনৰ প্ৰতি মানুহৰ হেপাহ বাঢ়িছে। ফেশ্বন বিষয়ত মানুহৰ উৎকৰ্ষতাও দুগুণে চৰিছে। এই উৎকৰ্ষতাই সময়ে সময়ে সমাজৰ হানিও কৰিছে। যিমানেই মানুহ ফেশ্বনশীল হ'ব, সিমানেই মানুহৰ মাজত অৰিয়াঅৰিৰ ভাব বাঢ়িব। সুস্থ পৰিবেশত অৰিয়াঅৰিৰ ভাব বাঢ়িলে সমাজৰ বিশেষ ক্ষতি নহয় বৰং লাভে হয়। কিন্তু প্ৰতিযোগিতা যদি

অন্তর্দ্বন্দৰে পোষিত হয়, তেন্তে এই প্ৰতিযোগিতাৰ পৰা কাৰো উপকাৰ নহয়। ফেশ্যনৰ কাৰণে সদায় আৰ্থিক ব্যয় হয়। কোনো কোনো ফেশ্যনত সৌন্দৰ্য্যজ্ঞানৰ নিদৰ্শন পোৱা যায়, য'ত সূক্ষ্ম কলাৰ সাধনা পৰিস্ফুট। এনেকুৱা আৰ্থিক ব্যয়ৰ বাবে অনুশোচনা নহয়।

আধুনিক সমাজত অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশৰ লগে লগে মানুহৰ জীৱন যাপন কৰাত সহজ হৈছে; কিন্তু আনফালে মানুহৰ আশা-আকাঙ্ক্ষা আৰু নানা তৰহৰ তৃষ্ণাই জীৱন অতীষ্ঠ কৰি তুলিছে। এই দুটা প্ৰক্ৰিয়াৰ ভাৰসাম্য অৱস্থাতহে সুস্থ সমাজ এখন গঢ়ি উঠিব পাৰে। কিন্তু এই অৱস্থা কেতিয়াও আহিব নোৱাৰে, যদি মানুহৰ মন পাৰ্থিব চাহিদাৰ ফালে বেচিকৈ ঢাল খায়।

আমেৰিকাত পাৰ্থিব প্ৰগতিৰ প্ৰতিযোগিতাই অশান্ত মানসিক অৱস্থাৰ অৱতাৰণা কৰিছে। ফলত অব্যক্ত অন্তৰ্দ্বন্দৰ বিস্তৃতি হৈছে। ভাৰতবৰ্ষত নীতিতত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে আৰু সেই বাবেই আৰ্থিক অৱস্থাত পিচপৰি থকা স্বত্তেও ভাৰতবৰ্ষ এতিয়াও ইমান অশান্ত অৱস্থাৰ সন্মুখীন হোৱা নাই। তথাপি ফেশ্যনৰ কবলৰ পৰা মুক্ত হ'ব পৰা নাই। ইয়াৰ প্ৰতি এতিয়াও আমাৰ মোহ আছে আৰু ভবিষ্যতেও থাকিব। ই আমাক কলৈ লৈ যায় কব নোৱাৰো। ফেশ্যন যেন সমাজত ভালুকৰ সাঙ্চিহে পৰিছে।

———